Year of publication 1872

# সাধনী ।

( বুৰঞ্জীমূলক নাটক )

R. S. SAHIB HANUMAN BUX KANOI LIBRARY
No. A 690
Date. 2/8/55
DIBRUGARH COLLEGE

সাহিত্যিক পেঞ্চনাৰ

ৰায়বাহাদুৰ ৺পদ্মনাথ গোহাঞি বৰুৱা,

এম, আৰ, এ, এচ,

# সাধনী।

## ( বুৰঞ্জীমূলক নাটক )

A 690
D. S. K. ... Accession No. ...
Dibrugarh
Data Entered

পোন্-প্ৰথম অসমীয়া সাহিত্যিক সম্মিলনীৰ সভাপতি ; "বিজুলী", "উষা"
আৰু "অসম-বন্তি"ৰ সম্পাদক ; কলিকতা বিশ্ববিদ্যালয়ৰ প্ৰশ্নকাৰ ;
লণ্ডনৰ ৰয়েল এচিয়াটিক চোচাইটীৰ মেম্বৰ ; পোন-
প্ৰথম অসম লেজিচ্‌লেটীভ কাউন্সিলৰ
আহোম-প্ৰতিনিধি অনৰেবোল
মেম্বৰ,

সাহিত্যিক পেঞ্চনাৰ

**ৰায়বাহাদুৰ পদ্মনাথ গোহাঞি বৰুৱা,**

এম, আৰ, এ,

ৰচিত।

CALL NO 891.452
GOH

তৃতীয় তাঙ্গৰণ।

১৮৭২ শক।

বেচ—১৷৵০

তেজপুৰ, অসম,
বি, আৰ, কলিতাৰ দ্বাৰাই
বি, আৰ, কলিতা এণ্ড কোম্পানীৰ পৰা
প্ৰকাশিত।

৩৯।১ শিনাৰায়ণ দাস লেন, কলিকতা—৬। কাত্যায়নী মেছিন
প্ৰেছৰ পৰা শ্ৰীপ্ৰকাশ চন্দ্ৰ সৰকাৰৰ দ্বাৰা মুদ্ৰিত।

# উছর্গা।

---

সাধনী

বাজ-নৌ-ওলাওতেই

যি

হেঁপাহেৰে ইয়াক কোলাত লৈছিল,

সেই

চেনেহৰ মাজিউ ভাগিন্

শ্ৰীমান্ মহেন্দ্ৰনাথ গোহাঞি ফুকন,

এম, এ, বি, এল, এম, এল, চি,

"মাজিউ মইনাৰ" কণ্ঠত ইধাৰি

"সৰু-মামাৰ"

আশীষ্-মালা।

—:•:—

গ্ৰন্থকাৰ।

# ১। পাতনি।

---

"সাধনী" সাধিবৰ ভালেমান দিন হল। আৰুবেলি, এনে দিনতে, সমল হাতত লৈ 'সাধনী' শোধাও বুলি ওলাইছিলোঁ; পিচে, বিবিধ কাৰ্য্যৰ ভিৰ ভাঙ্গি সেই বছৰৰ ভিতৰত সেই ফালে আগ বাঢ়িবলৈ চল নাপালোঁ। কিন্তু, এইবেলি সাধনীদাৰ 'কটন কলেজ'ৰ ছাত্ৰ-বন্ধুসকল 'ক্ৰোকী-পৰওনা'ৰে সৈতে হাজিৰ! তাৰ ভিতৰত আমাৰ প্ৰিয়-ছাত্ৰ শ্ৰীমান্ চন্দ্ৰনাথ শৰ্ম্মা বি, এ, ঘাই। গতিকে, নিতান্তই উপায়ন্তৰ হৈ ঢৌতে-খৰ-মৰাৰ নিচিনাকৈ, যোৱা একুৰি-এদিনৰ ভিতৰত খৰ্ধৰ্কৈ "সাধনী"ক যেয়ে এফেৰ আদৰ কৰিব, সেয়ে নিজৰ চকুত লগাকৈ সজাই ললে হে হব; আমি পিন্ধাই পঠিওৱা সাজ-পাৰত বহু ক্ৰটী বৈ গৈছে।

গাব নাজানিও শুনিব জনা সাধনীক শুনাবৰ অৰ্থে, সখীয়া "শান্তি" আইটীক আৰু নাচনিয়াৰ লিগিৰীইঁতক যি কেইটি গীত আওৰাবলৈ দিয়া গৈছে, তাৰ মূলৰ হে আমি গৰাকী, বাকী তাল-মান-সুৰ আদি গুণৰ বাবে আমি গাব নজনাক সদায় অনুগ্ৰহকৈ গাই শুনাওঁতা আমাৰ প্ৰিয়বন্ধু স্বনামখ্যাত সঙ্গীত-অধ্যাপক স্বৰ্গীয় লক্ষ্মীৰাম বৰুৱাদেৱ হে সম্পূৰ্ণ শলাগৰ পাত্ৰ। ইতি—

তেজপুৰ,
৮ ভাদ, ১৮৩৩ শক।

বিনীত,
শ্ৰীপদ্মনাথ গোহাঞি বৰুৱা।

—:*:—

# ২। পাতনি।

—–—✻—–—

"সাধনী"য়ে পোহৰলৈ ওলায়েই গুণগ্ৰাহী ৰাইজৰপৰা ইমান আদৰ লাভ কৰিলে যে, ইয়াৰ আদকুৰা প্ৰথম তাঙ্গৰণ মুঠেই ডেৰবছৰমান হে টিকিলে; তাৰেপৰা আজি ভালেমান বছৰ "সাধনী" ছপাৰ-বাজ ( out of print ) হৈ আন্ধাৰত তিৰ্‌বিৰাই ৰব লগাত পৰিছে। কিয়নো, এই গ্ৰন্থকাৰৰ পঢ়াশলীয়া পাঠ্যপুথিবোৰৰ ( Text-Books ) নতুন নতুন তাঙ্গৰণ ঘনাই ঘনাই উলিয়াব লগা হোৱাত, তেওঁ তেওঁৰ বাজে-পুথিবোৰৰ নতুন তাঙ্গৰণ উলিয়াবলৈ ভতকে পোৱা নাই এথোন; "সাধনী" বাজেপুথি বুলিও, ই অসমৰ প্ৰথম শ্ৰেণীৰ নৰ্ম্যাল স্কুলৰ তৃতীয় বাৰ্ষিক শ্ৰেণীৰ নিমিত্তে নিৰ্দ্ধাৰিত টেক্সট্‌বুক; সেই হে আনবোৰতকৈ ই এবেগলৈ আগ হব পাৰিছে। দ্বিতীয় তাঙ্গৰণত পুথিৰ নাটকীয়া ঠগত মুঠেই হাত দিয়া নাই, মাথোন সাহিত্যিক গঠনত হে লাগতিয়াল সংস্কাৰ সাধিবৰ অৰ্থে ওপৰে-ওপৰে এবাৰ হাতফুৰাই দিয়া গৈছে। "সাধনী"য়ে আশাতীত আদৰ পোৱা বাবে গ্ৰন্থকাৰে এই ছেগতে ৰাইজলৈ এখনি শলাগৰ শৰাই আগ বঢ়াইছে। ইতি—

তেজপুৰ, অসম।
বহাগ, ১৮৪১ শক।

গ্ৰন্থকাৰ।

—–—✻—–—

# ভাওবিলাক।

—:○○:—

## মতাভাও।

ধৰ্ম্মধ্বজ ... ... ছুটীয়া ৰজা।

নিতাই,—নীতিপাল ... সাধনীৰ স্বামী,—ছুটীয়া ৰজা।

নালীয়া··· ... ... নিতাইৰ সমনীয়া বন্ধু।

চুহুন্মুং ··· ... ... আহোম স্বৰ্গদেৱ।

কনচেং বৰপাত্ৰ গোহাঞি ··· আহোম মন্ত্ৰী-সেনাপতি।

ছুটীয়া মন্ত্ৰী, চুটীয়া সেনাপতি, সভাসদ, সভাপণ্ডিত, পাৰিষদ, ৰাজখোৱা, মনীয়া, ন-বিষয়া, ভগা-বিষয়া, কটোৱাল, বন্দীপাল, ছুটীয়া সৈন্য, আহোম-সৈন্য, কন্যাপ্ৰাৰ্থীগণ, দৰ্শকবৃন্দ ইত্যাদি

## মাইকীভাও।

লীলাৱতী ··· ··· ··· ধৰ্ম্মধ্বজৰ পত্নী।

সাধনী ··· ··· ··· ধৰ্ম্মধ্বজৰ জীয়াৰী।

শান্তি ··· ··· ··· সাধনীৰ সখী।

লিগিৰী, নাচনী ইত্যাদি।

——০০——

# সাধনী।

R[?] H[?] [?] LIBRARY
No. A690
Date 2/8/55
*DIBRUGARH COLLEGE.*

—*০ঃ০*—

## আভাস।

( ডুফালবপৰা দুগৰাকী গায়িকাৰ প্ৰৱেশ )।

গীত।

ধানি মিশ্ৰ—একতালা।

শূন্যে শূন্যে হাঁয়, ময়াপী চৰাই,
কেনি উৰি আহি কেনি গুচি যায়!
ঘূৰি ঘূৰি চাওঁ, জানো দেখা পাওঁ,
কোনে দিয়ে কই আছে নে কি নাই॥
কিহে উদগায়, উৰে কিয় মন,
উৰিয়ে জুৰায় উদাস পৰাণ;
এই চকু-লোৰ, নপৰে নে ওৰ,
বই বই বই ধীৰে বই যায়;
মন্দাকিনী-ধাৰ ধীৰেৰে ধায়॥
নাজানো কোনোবা আহে আৰু যায়,
কিয়বা চাপেহি কিয়বা পলায়;
যাওঁ উটি-বুৰি, নাহোঁ আৰু ঘুৰি,
কেউ পিনে হুল, মানুহ-ত্ৰিশূল,
কত আহে যায়, ইঁহা-কন্দা চাই,
কোনো ৰজা হয় কোনোবা হেৰায়॥

( দুইৰো দুফালে প্ৰস্থান )।

# প্ৰথম অঙ্ক ।

—·:•:॰—

## প্ৰথম গৰ্ভাঙ্ক—অন্তঃপুৰ ।

( ধৰ্ম্মধ্বজ আৰু লীলাৱতী । )

ধৰ্ম্ম ।—কিনো কম !

সাধি সাধি সাধনীক পালোঁ,

সাধনীক থবলই ঠাই নেদেখিলোঁ ।

লীলা ।—ঠাই নাই

থবলই সাধনী পোনাক !

কিবা কোৱাঁ প্ৰাণনাথ ? নুবুজো কথাৰ পাক ।

ধৰ্ম্ম ।—নাই ক'তো ঠাই ।

বিচৰালোঁ চউদিশে

কটকী পঠাই ; যোগ্য পাত্ৰ নাই কতো,

ৰূপে-গুণে-জ্ঞানে সমনীয়া সাধনীৰ !

সুশিক্ষিতা সুচৰিত্ৰা সাধনী-সমানে

ৰূপৱন্ত-গুণৱন্ত শুদ্ধ চৰিত্ৰৰ

নাপাওঁ যদ্যপি এটি পুৰুষ-ৰতন,

পাত্ৰ কত, থওঁ মোৰ একেটি সন্তান !

লীলা ।—চউদিশে !

কোন্ চউদিশে প্ৰাণনাথ ?

ধৰ্ম্ম।—স্বৰ্ণ, বস্তু, কাম আৰু
সৌমাৰ পীঠত বহুত প্ৰবন্ধে ঘূৰি
আহিল কটকী ; নাপালে সুযোগ্য পাত্ৰ
ৰূপে-গুণে-জ্ঞানে।

লীলা।—যি কৰে ঈশ্বৰে নাথ,
মানুহৰ ভালৰ কাৰণে ; আমি মাথোঁ
নুবুজো মহিমা !

ধৰ্ম্ম।—কি ভাল ভাবিছাঁ হাঁয় !
কত কাল নিঃসন্তান হই পৃথিবীত
যাপিলোঁ জীৱন,—দুখীৰো দুখীয়া প্ৰায়,—
অতৃপ্তি অশান্তি খেদ সন্তাপত পৰি।
কতনা ভাগ্যৰ ফলে, কত পূজা-সেৱা আৰু
যাগ-যজ্ঞ গুণে লভিলোঁ সন্তান এটি ;—
বহু সাধনাৰ ফল সাধনী ৰতন।
পৰিল হৃদয় শাঁত ক্ষণ কাললই।
কিন্তু হাঁয়, অচিৰতে চিন্তাৰ বিকাৰ
বাঢ়িব ধৰিলে পুনু,—পাত্ৰ-ভাবনাত—
বয়সে বাঢ়িল যেই চেনেহী সাধনী।
পাচিলোঁ চৌপাশে চৰ সুপাত্ৰ বিচাৰি,
বহু আশা কৰি ; নাপাই সুযোগ্য পাত্ৰ
ঘূৰিল কটকী। ভাবিছানে ইয়াকেই
ভালৰ কাৰণ ?

লীলা।—ভাবিছোঁ ইয়াকে।
ঈশ্বৰে যি কৰে নাথ, মানুহ কাৰণে,

নাই তাত ভুল-ভ্ৰান্তি, অপায়-বিঘিনি ;
সকলো মঙ্গল মাথোঁ মায়া-সংসাৰত ;
—ধ্ৰুপ বিশ্বাস মোৰ।

ধৰ্ম্ম।—মোৰো সি বিশ্বাস।
কিন্তু হাঁয়, কি কৰোঁ উপায় ; কিনো মতে
সাৰোঁ এবে কন্যা-দায় !

লীলা।—নালাগে ভাবিব নাথ !
নাপালোঁ যদ্যপি পাত্ৰ দূৰ-বিদেশত,
বিচাৰোঁ এতিয়া নিজে নিজৰ ৰাজ্যত।
মিলে যদি, ভাগ্যে মোৰ. এই ৰাজ্যতেই
মনে-বচা বৰ হাঁয়, সাধনী-কাৰণে,
বাছা মোৰ থাকিব কাষতে ; দেখি প্ৰাণ
জুৰ হব মোৰ ? সেই হে ভাবিছোঁ নাথ,
অতি উলাহেৰে—ঈশ্বৰে ভালকে কৰে,
মানুহ-কাৰণে।

ধৰ্ম্ম।—ভাবিছোঁ নে প্ৰিয়া হেৰা,
লোৰা নাই মযো সেই ভাব ? পাওঁ যদি
যোগ্য পাত্ৰ আপোন ৰাজ্যত, ইচ্ছা কৰি
নিলগাওঁ একেটি সন্তান মোৰ ?—কিন্তু
দুৰদৃষ্ট হাঁয় ! ইৰাজ্যত নাই কোনো
ৰূপে-গুণে-জ্ঞানে, যোগ্য পাত্ৰ পাবলই
সাধনী কাৰণে।

লীলা।—নহয় সম্ভৱ নাথ,
এজনতে ৰূপ-গুণ-জ্ঞান সমাবেশ।

সততে দেখিছোঁ মাথোঁ—একৰ উপৰি
দুই থাকে যাৰ গাত, সেয়ে সুপুৰুষ।
এতেকে বিচাৰা পুনু আপোন ৰাজ্যতে
সুপাত্র সিদ্ধপ।

ধৰ্ম্ম।—ভাল বাৰু,
ভাবি চাওঁ কি পাৰোঁ কৰিব।
ঈশ্বৰ করুণাময় আছে ওপৰত ;
তেওঁ হে কৰোঁতা, আমি কাৰণ মাথোন।
ইচ্ছাময় তেওঁ, সেই ইচ্ছা ফলে মাথোঁ
নৰৰ ভাগ্যত। ভাগ্যত যি আছে লিখা
অৱশ্যে ফলিব ; ভাগ্যে যেন ফলিয়ায়—
“ঈশ্বৰে যি কৰে ভাল মানুহ কাৰণে।”
চাওঁ বাৰু, ভাবি-চিন্তি নীৰলে এবাৰ ;
কৰিম মীমাংসা পাচে প্রকাশ্যে সভাত,
আলচি মন্ত্রীৰ সতে সভাসদে মিলি।

(মৌন)

লাগিছে বিষম অতি দেহ মন-প্রাণ,
উগুল-থুগুল ভাব খেলিছে হিয়াত !
ফুৰোঁগই নিজানত উদ্যানৰ ফালে ;
লগজনে শান্তি-ভঙ্গ কৰে মাথোঁ মোৰ।
যোৱাঁ প্রিয়া পালাগই গৃহধৰ্ম্ম তৱ ;
যাওঁ মই, আহোঁ ঘুৰি অন্তৰ জুৰাই !

(দুইবো দুফালে প্রস্থান।)

—(*)—

## দ্বিতীয় গৰ্ভাঙ্ক।

—*—

ফুলনি।

( সাধনী আৰু শান্তি। )

শান্তি।—শান্তি নাম ধৰিলোঁ মিছাই!

সাধনী।—কিয় সখী?

শান্তি।—প্ৰয়োজন শান্তি য'ত,

পৰা নাই দিব তাত লেশমাত্ৰ তাৰ,—

শান্তি-সুধা সখীয়াৰ বুজনি সুৰত।

দিনকে মলিন দেখিছোঁ মুখানি তৱ

কিবা আবেগত, সুফুটে হিয়াৰ ভাব

অধৰ পাহিত,—বিৰিঙ্গি উঠিছে মাথোঁ

মুখ-দাপোনত।

সাধনী।—সৰ্ব্বজান সখী তুমি,—

হাঁহিমুখে মন ছলি, প্ৰৱেশি অন্তৰ,

চুৰ কৰা মনোভাব ভাবুক জনৰ।

বাকী নাই বুজিবৰ মনোভাব মোৰ।

কিন্তু সখি! কিনো ক'ম, আপুনি বুজিব

নোৱাৰোঁ আপোন ভাব। কি দিম উত্তৰ!

হুবুজা আপুনি—লাগে কিনো, কিবা নাই,
কিহেতু উদাস !

শান্তি।—বুজিছোঁ ভাবতে ভাব।
বুজিবৰ বাকী মাথোঁ,—জলে কোন সিটি
উদাস প্ৰাণত।

সাধনী।—থক বাকী।
নালাগে জানিব সিটি কোন।
জনাবৰ যোগ্য পাত্ৰ নোহে সেই ধন।

শান্তি।—জানিবৰ যোগ্যা নোহোঁ আমি !

সাধনী।—থোৱাঁ সখী,
নকৰাঁ চুপতি ! সৰল চিত্তেৰে কওঁ,
আতিকে সামান্য পাত্ৰ মোৰ সেই ধন।
নালাগে জানিব তুমি, নালাগে জগতে ;
নেদেখাতে থক গুপ্তমণি !

শান্তি।—বাৰু সখী,
নকৰোঁ চুপতি। চুপতিৰ যোগ্যজন
আছে নেদেখাত। নীৰৱে, নজনাকই ;
—থাকাঁ হাঁহি-মাতি।

সাধনী।—নাপাতিবাঁ ৰোহ সখি !
ভাবিছাঁ যি তুমি, হব পাৰে সিও এক
উদাস কাৰণ। কিন্তু সখী, প্ৰাণ মোৰ
হইছে কাতৰ, দেখি-শুনি সংসাৰৰ
পাক-চক্ৰ, কুটীলতা, অধৰ্ম্ম-অনীতি।
কিমতে পোনাব পাৰি সেই বেঁকা গতি,

ভাবোঁ ছেগ বুজি। কত পাতোঁ, কত ভাঙ্গো,
নাই সীমা-শেষ, নাপাওঁ উৱাধি তাৰ।

শান্তি।—ফুলত শিলৰ ৰেখা!
নোশোভে তোমাত ইসৱ ভাবনা সখি!
ঢোপা-কলি তুমি, কিয় ভাবা কীটে ধৰা
ফুলৰ দুৰ্দ্দশা!

সাধনী।—দেহি অই,
চোৰাঁ কেনে মিলিছে থিতাতে!—
চোৰাঁ কেনে ফুল-পাহি আউলী-বাউলী,
কলিটিৰ মুখ চাই আছে ঠৰ লাগি!
চোৰা নাই নিজলই,—নিজ সুখ-দুখ,—
চাইছে মাথোন কলিটিৰ মুখলই,—
যায় যেন দিন-তাৰ এনুৱা সুখত।
ফুলিলেই সখী অই, হব তাৰো দশা
বাউলী পাহিটীপ্ৰায়। তাকেহে গুণিছে,
পৰৰ সুখত পমা আজলীটী দেহি!
কিন্তু সখি! পাহিটীৰ নুপূৰে কামনা,—
ঢোপাকলি ফুলিব কালত; দশা তাৰ
হব ঠিক পাহিটীৰ প্ৰায়। মেলোঁ মেলোঁ
পাহিকিটি মেলিব যিদিনা, সিদিনাই
কীটে আহি লব থিত, কৰিব ঘৃণীয়া;
নৰব জেউতি আৰু লুকুৱা হাঁহিব!
সৃষ্টিৰ ৰীতিয়ে' এই,—জন্ম, বৃদ্ধি, ক্ষয়—
চিৰকাল কাৰো দিন সমানে নাযায়!

বাঢ়েমানে আগলই বেঁকাবেঁকি বাট,
আৰু কত আওপাক ভৱ-সংসাৰৰ
পাবলই আছে জীৱনত। ভাবোঁ তাকে,
পাওঁ বুলি তত্ত্ব কিবা স্থষ্টি-কৌশলৰ।

শান্তি।—কঠুৱা পুৰুষ-ভাব!
—নোহে নাৰী-নীতি।

সাধনী।—পুৰুষ কঠুৱা বুলি
ত্যাজ্য নোহে সিটি। কঠিনে-কোমলে মিলি
পুৰুষ-প্ৰকৃতি জানা, স্থষ্টি স্বৰগত;
তাৰে আহিঁ নৰ-নাৰী এই পৃথিবীত।
এতেকে, কঠুৱা বুলি নিলগোৱাঁ যদি
পুৰুষ-ৰতন, প্ৰকৃতি তিষ্ঠিব ক'ত?
গছত বগাই সউ চোৱাঁ লতাজুপি
কঠিনে-কোমলে কেনে হইছে মিলন!
ইটিয়ে সাবটি ধৰি সিটিক জুৰায়,
সিটিয়ে শৰীৰ পাতি ইটিক গুৱায়!
এটি সদা আনটিৰ জীৱন সাৰথি;—
তাৰে ফল মাথোঁ এই সংসাৰ-কানন।
এয়ে জানা, আহিঁ সংসাৰৰ। লতা হই
ৰদ-তাপ গুচায় গছৰ; সেই ৰূপে,
নাৰী হই পুৰুষৰ শোক-তাপ-দুখ,
অধৰ্ম্ম, অনীতি আৰু কুটিল স্বভাৱ
আমিও গুচাব লাগে।—এয়ে নাৰী-নীতি।

শান্তি।—পণ্ডিতা ৰমণী তুমি।
তোমাস'তে আমাসাৰ নৰজে কথন।
যাওঁ সখী হেৰা, মৰষিবাঁ দায়-দোষ ;
কৰিলোঁ আমনি।
সাধনী।—নাযাবাঁ সখীটি অই!
নাপাতিবাঁ ৰোহ। নাপাতোঁ আজিৰপৰা
এনুৱা কঠুৱা মেল, বেয়া পোৱাঁ যদি।
ভাল কথা, পৰিছে মনত ;—গোৱাঁ সখি,
গোৱাঁ এটি গীত। গাইছিল এতিয়াই,
কুলিটিয়ে সউ গছৰ ডালত পৰি।
কিযে কণ্ঠ! কি যে সুৰ! পঞ্চমৰ তান!
—কি দিম তুলনা তাৰ!
শান্তি।—লগা নাই ভাল হেৰা,
কিনো গীত গাম! তোমাৰে বাচনি, বাৰু
সাংসাৰ-বিৰহ গীত নৱ প্ৰেমিকৰ,
গাওঁ শুনা এটি।—

## গীত।

থাম্বাজ জংলা—লক্ষ্ণৌ ঠুংৰী।

আহা কি কিৰণ দিয়ে তৰুণ অৰুণে ;
উষাৰ প্ৰভাৱে মিলি বাঢ়ে ক্ষণে ক্ষণে!
মিলন-ৰহণ সানি, উষা-বেলি হাঁহি হাঁহি,
দুটি প্ৰাণ এটি হয় পৱিত্ৰ মিলনে।

মিলনে জীৱন সাৰ, মিলনতে লয় যাৰ,
কি আছে তুলনা তাৰ জগত-জীৱনে।
ৰচিলোঁ হে প্ৰভু যাক, নতুন মউৰ চাক,
সজোৱাঁ হৃদয় তাৰ এনেহে যতনে ;—
নিঘূনী সংসাৰ ছবি, ফুলে যেন পুণ্য ৰবি,
আদৰ্শ জীৱন হয় সাংসাৰী কাৰণে॥

সাধনী।—ধন্য সখি! (নীৰৱ)।
ধন্য তুমি, ধন্য তৱ গীত!

শান্তি।—হল আৰু।
বলোঁ যাওঁ, নকৰোঁ পলম।
দুইৰো বিচাৰ জানো লাগিছে ঘৰত।
(প্ৰস্থান)।

—✻✻⁘∘⁘✻✻—

## তৃতীয় গৰ্ভাঙ্ক।

—:*:—

### গৰখীয়া-পথাৰ।

( নিতাই, নালীয়া আৰু সমনীয়া। )

সমনীয়া।—হেৰ নিতাই, নিতাই!

নিতাই।—কি অ'? কিনো হেকাই হেকাইকৈ থাক!

নালীয়া।—অ' নিতাই গুচি হেকাইহে হলিনে? বাৰু, তেন্তে হেকায়েই।

নিতাই।—এঃ কিয় কৰ তেনেকৈ ককাই!

সমনীয়া।—নকৰনো কিয়? তোক দেখোন মাতিলেই জগৰ লাগে।

নিতাই।—এ নহয় বুপাই, বেয়া নাপাবি, মই আন কিবা এটালৈ মনকৈ আছিলোঁ। ই মাতিলত সি চাট্‌কৰে নাইকিয়া হল!

সমনীয়া।—কিহলৈনো মন কৰিছিলি?

নালীয়া।—কিনো ৰাজপাটখন থাবলৈ ভাবিছিলি অ'?

নিতাই।—এৰা, জানিবা ৰাজপাটেইহে। চুকি নোপোৱা বস্তুলৈ হাত মেলোঁতেইতো মোৰ এই দশা!

নালীয়া।—ঔ আই, কিনো ঔ! হেৰ ভাঙ্গি কচোন কি, আমিও ভাগ পাওঁ বা!

নিতাই।—এৰা, ককাই, অথনিৰ সেই বেলিপকাটোলৈ মনত পৰিছিল। (মনতে) অহ, সেই বেলিপকা আৰু এই বেলি-পকা! দুয়ো মোৰ আদি বাসনাৰ বস্তু।

নালীয়া।—আও! আচল ৰাজপাটখন! নিতাই ৰজাৰ ৰাজভোগেইহে হয়!

নিতাই।—ৰাজপাটতকৈও বেচি বুলিহে ভাবিছোঁ, ককাই।

নালীয়া।—উঃ! ই কম ভকত নহয় ঔ! অথনিৰ কথাটোকে এৰা নাই।

নিতাই।—কেনেকৈ এৰিবি ককাই? ইমান দুখ কৰিও যে সেই বেলি-পকাটো পাৰি আনি আমি ভগাই খাব নোৱাৰিলোঁ, সেই কথাটোৰেই মোৰ মনৰপৰা গুচা নাই।

সমনীয়া।—পিচে, পাৰিব নোৱাৰমানে গুচিবইনে কি?

নিতাই।—ওঁ, গুচে। তাক নাপাওঁ মানে নাপাহৰোঁ।

নালীয়া।— আও! ই বাৰুটো হয় দেও! যিটো কথাত লাগে সি লাগেইহে। মই হলে তাৰ কাষকে নাচাপোঁ বুপাই। অথনিৰ আমৰলিৰ কামোৰণিৰ ফৰফৰণিয়ে আমাৰ হেঁপাহটো তল পেলাই থৈছে!

সমনীয়া।—উঃ, নকবি আৰু ককাই, মনত পৰিলেই চেক্‌চেকনি উঠে!

নিতাই।— মোক হবলা কামোৰা নাই?

সমনীয়া।—তোকো কামুৰিছিল, গছৰ আদখিনিৰপৰাই তোক বগৰাই অনা নাই জানো?

নিতাই।—পিচে?

নালীয়া।—পিচে নো কিয় বেলিপকা-ৰাজভোগলৈ ধাউতি গুচা নাই?

নিতাই।—অ, নহয়, এটা কামলৈ এবাৰ মন মিলিলোঁ যেতিয়া, তাক সাধিমেই সাধিম। বেলিপকা খাইহে এৰিম।

নালীয়া।—এৰা, তই কম নহৰ বুপাই, যিটোত লাগ লাগইহে। এই দৰে লাগি কেতিয়াবা তই সঁচাসঁচি কৈয়ে ৰাজপাট খাবিহে হবলা বুপাই!

নিতাই।—বাৰু, বাৰু, ৰাজপাট খাবলৈ পাও যদি তইঁতেও বিষয়াৰ বাব খাবলৈ পাবি। বাৰু, থ এতিয়া থ সেইখন কথা। ব'লহক যাওঁ, বেলিপকা পাবোঁগৈ বল।

সমনীয়া।—বল বাৰু, আমি হলে নিলগৰপৰা হে।

( তিনিও এখোজ-দোখোজকৈ গৈ থাকে )

নালীয়া।—( মনতে ) হবও পাৰে। একো আচৰিত নহয়। যি লাই বাঢ়ে তাৰ দুপাততে চিন্। উঃ, সঁচাকৈয়ে ই কম নহয়। ই কোনোবা ডাঙ্গৰ মানুহৰ ঘৰত হে জনম লব লগা আছিল। যি হওক, ইয়াক আগত লোৱাৰ পৰা লাভ আছে। হুঁঃ, পিচে নালীয়াও কম নহয়; মই আমুকা পম্ খেদাত কম নহওঁ। বাৰু, নিতাইক জানিবা ঈশ্বৰে গুণৰ ভঁড়াল কৰি চৰ্জ্জিলে; মোক তেওঁ বুধিৰ ভুৰুকাটোকে কৰি সাজিছে হে? দেখা যাওঁক।

সমনীয়া।—( ডালত পৰি থকা তিপচী চৰাই এটালৈ আঙ্গুলিয়াই ) নিতাই, চাচোন সৌটি! কেনেকৈ বুকু পাতি আছে। পাৰিবিনে শালিৰ একেপাট কাঁড়েৰে?

নিতাই।—বাৰু চাওঁচোন; আগেয়ে গপ্ মাৰিলে কি হব?

( নিতায়ে টোঁৰাই-ভিৰাই কাঁড় মাৰে )

সমনীয়া!—পৰিল, পৰিল, সৌটো পৰিলহি মাটিত।

( চৰাই তুলি লবলৈ লৰ ধৰি প্ৰস্থান। )

নিতাই।—পৰিল নে? চাওঁ, কোনটি?

( সমনীয়াৰ পিচে পিচে লৰি প্ৰস্থান )

নালীয়া।—আও! ই কম ভকত নহয় দেও! ধেনু-কাঁড়তো বৰ পাকৈত! ইয়াৰ নিচান কেতিয়াও কাটি নাযায়। সিদিনাখনেই নহয়, চকুৰ আগতে, সেই উৰি যোৱা নাচনী চৰাইকণ একেটা বাতলুগুটিৰেই

মাটিত লুটিয়াই পেলালে। আৰু, লৰা-ধৰা, জাঁপ-মৰা, খৰ-মৰা, সাঁতৰা, গছত-উঠা, হিলৈ-মৰা, ঘোঁৰাত-উঠা, নাও-মৰা,—এইবোৰ আটাইতে সি পাকৈত। তাক আৰু মই একোতে কম নেদেখিলোঁ। ই যে আগলৈ এটা মানুহ হব তাত সংশয় নাই। আৰু, ময়ো শুদাশুদি ভকত নহওঁ, তাৰ আলেখলেখ্ বুজিহে চলিছোঁ তেও। যাওঁ, সিহঁত ভালেখিনি পালেগৈ চাগৈ।

(বেগাবেগিকৈ প্ৰস্থান)।

—•—

## চতুৰ্থ গৰ্ভাঙ্ক।

—০:•:০—

### উদ্যান।

( পাল-শৱ দিয়া মৈদাম। )

——*——

ধৰ্ম্মধ্বজ।

( অকলশৰে ফুৰি ফুৰি )

ধৰ্ম্ম।—এয়ে সেই কীৰ্ত্তিস্থল।
ইয়াতে এদিন, ছুটীয়াৰ আদিৰাজ
ৰত্নধ্বজপাল হইছিল বিমোহিত
প্ৰকৃতিৰ ৰূপ-লীলা চাই! পাঙ্গিছিল
ইয়াকেই ৰত্নপুৰ নগৰৰ ভেঁটি।
কিন্তু কি যে বিধি-বিড়ম্বনা,—নগৰৰ
ভেঁটি লই উঠিল মৈদাম! আদিৰাজ
ৰত্নধ্বজে প্ৰিয়পুত্ৰ এটি ৰাখিছিল
কমতাপুৰত গই, শিক্ষাৰ উদ্দেশে।
অকালত কাল হল সেই কোৱঁৰৰ।
কমতা ঈশ্বৰে পাচে অতি যতনেৰে
পঠিয়ালে সন্তানৰ শৱ পিতৃলই,
যুগুত সমাধি হেতু। মৰ্ম্মাহত হল
ৰত্নধ্বজ পুত্ৰৰ শোকত। ভগ্ন হল

মনোৰথ, মনৰ উদ্যোগ 'ৰত্নপুৰ'
স্থাপনৰ হেতু। নগৰৰ সলনিত
পালবংশী কোৱঁৰৰ সমাধিৰ স্থল
হল এই ঠাই। ৰত্নপুৰ স্থাপনৰ
আয়োজন যত, সমূলঞ্চে পালে লয়,
এই মৈদামত। তদৱধি খ্যাত হল
'পাল-শৱ-দিয়া'—'শদিয়া'ৰ আঁতি-গুৰি—
শ্মশানৰ নাম। সেই হন্তে সুৰক্ষিত
মৈদামৰ ভেঁটি; পিপৰা পৰ্য্যন্ত তাত
নোৱাৰে পশিব। পুৰুষে-পুৰুষে এই
পুণ্য-ৰীতি চলি আছে অলঙ্ঘ্য নিয়মে।
দেখা নাই কদাপিও প্ৰাণীৰ সঞ্চাৰ
এই মৈদামত। আজি কিয় অকস্মাৎ
দেখো বিপৰীত? কৰপৰা চাপিলেহি
অপৰূপ জন্তু ইটো;—উধত পৰাণ,—
কৰেহি বিহাৰ আজি মৈদাম বগাই!
ভাবুকিত নটলে সি ডাবিত নডৰে,
খেদিলে নাযায় গুচি, নাচে খৰ্টকী;
আতিকে দাম্ভিক আৰু, কৰে ভেঙ্গুচালি!
আৰু আচৰিত!—সেউজীয়া ক্ষুদ্ৰ কায়
তাৰ তিৰ্বিৰ্ কৰি কিহে জিলিকাই
চমকনি মাৰি ধৰে দুই চকু মোৰ!
নাথাকিল ধনু-শৰ লগত এতিয়া!
আহিলোঁ নিৰস্ত্ৰ এবে জিৰণিৰ হেতু,

ৰাজ-সাজ পৰিহৰি, ভাবুকৰ বেশে ;
নতুবা তুৰন্তে শালিলোঁহেঁতেন তাক
এপাট শৰেৰে।

(মৌন)

পৰিছে মনত আৰু,
দৈববাণী সিদিনাৰ, দৈৱজ্ঞ গণনা—
হব লাগে সম্পাদন অপূৰ্ব্ব ভাৱে
সাধনীৰ সয়ম্বৰ পণ। হব পাৰে
এয়ে তাৰ আগন্তুক চিন্। ভাল কথা,
এয়ে তেন্তে হোক পণ,—"এপাট শৰেৰ
শালিব পাৰিব যেয়ে এই খৰ্‌টকী,
সাধনীৰ পাণি-লাভ কৰিব সিজনে।"
হলোঁ প্ৰতিশ্ৰুত ; এয়ে পণ মোৰ।
যথাবিধি আয়োজন হোক ৰাজ্য জুৰি.
চৌদিশে প্ৰচাৰ হোক সয়ম্বৰ কথা।
আদেশোঁ মন্ত্ৰীক গই, পাচোক কটকী
দেশ-দেশান্তৰে,—স্বৰ্ণ, ৰত্ন, কাম পীঠ,
সৌমাৰ সহিতে। ৰাখোক ৰথীয়া দি
প্ৰস্তাবিত পণ মোৰ,—অদ্‌ভূত প্ৰাণী ;
সয়ম্বৰ আগে হৰণ-ভগন যাতে
নঘটে ইয়াৰ।

(মৌন)

লাগিছে লাঘৱ এবে
দেহ-মন-প্ৰাণ, অপাৰ চিন্তাৰ পাৰ।

দেখি ৰিণি-ৰিণি। সাধনীৰ যোগ্য পাত্ৰ
মিলিব ইবাৰ,—ধৰিছে মনত মোৰ।
সীতা, দময়ন্তী আৰু দ্ৰোপদী সতীয়ে
লভিলে যিমতে স্বামী ভাগ্য অনুসৰি,
হয় যেন সেইমতে সাধনীৰো মোৰ
ভাগ্যৱন্ত স্বামীলাভ বিধিৰ বিধানে।
মানুহ কাৰণ মাথোঁ; কৰোঁতা ঈশ্বৰ।
ফলিয়াই যেন,—"ঈশ্বৰে যি কৰে, ভাল
মানুহ কাৰণে।"

(মৌন)

পাওঁ যদি ভাগ্য-বলে
ভাগ্যধৰ কোনো জন এই ৰাজ্যতেই;
পুৰুষ ৰতন ৰূপে মানি সিজনক,
মহোল্লাসে সমৰ্পিম সাধনী ৰতন।
গুণে-জ্ঞানে হীন যদি হয় সেইজন,
সাধনীৰ সঙ্গ-লাভে পূৰাব সি ক্ষতি,—
সুশিক্ষা, সুনীতি জ্ঞানে কৰিব মহান্।
আৰু যদি মৰ্য্যাদাত নোহে সমতুল,
অথবা অপাত্ৰ জনে লভে সেই পণ,
প্ৰত্যবায়ে আহি তাৰ নাপাবহি মোক।
বহু চিন্তা পাৰ হল গুণ-মান লই;
অপেক্ষা কৰিলোঁ বহু তাৰ অভাৱত।
আৰু ভাবি চাব লগা কথা,—মৰ্য্যাদাই
ভাগ্যগতি নোৱাৰে ৰোধিব; পৰা নাই

গতিৰোধ কৰিব আদিতে,—ছুটীয়াৰ
আদিগুৰি বীৰবলে যেবে লাভ কৰি
'কুবেৰ সম্পত্তি'—ঢাল, তৰোৱাল, ধন,
সোণৰ মেকুৰি—লভিলে ই ৰাজভোগ
ছুটীয়া ৰাজ্যৰ ; যদ্যপি দৰিদ্ৰ লৰা
সামান্য ঘৰৰ। নাই আৰু ভাবিবৰ,
নকৰোঁ আশঙ্কা ; যাও ঘূৰি, কওঁগই
উৎকণ্ঠা ৰাণীক।

(প্ৰস্থান)

—:—*—:—

প্ৰথম অঙ্কপাত।

জিৰণিৰ-পটক্ষেপণ।

—০:*:০—

# দ্বিতীয় অঙ্ক ।

## প্ৰথম গৰ্ভাঙ্ক ।

ৰজাৰ বৰচৰা ।

( ধৰ্ম্মধ্বজ, মন্ত্ৰী, পাৰিষদ আৰু সভাপণ্ডিত )

ধৰ্ম্ম ।—শুনা মন্ত্ৰী, পাৰিষদ,
পণ্ডিত মণ্ডলী, শুনা আমাসাৰ পণ ।
কালি যেবে অকলই আবেলি পৰত,
ভ্ৰমিছিলোঁ উদ্যানত,—ভাবত মগন—
ভাবি ভাবি সাধনীৰ পৰিণয় কথা ;
চাপিলোঁ ওচৰ গই 'পাল-শৰ-দিয়া'
—ছুটীয়াৰ কীৰ্ত্তিস্তম্ভ মৈদামৰ কায ।
আহিল কতনা স্মৃতি পূৰ্ব্ব পুৰুষৰ,
আদিৰাজ ৰত্নধ্বজ কথা ; সুমৰিলোঁ
আৰু সেই চলি অহা পুৰুষে-পুৰুষে
আদিৰাজ আজ্ঞা-বাণী অখণ্ড ৰীতিৰে,—
পিপৰা এটিও যেন নোৱাৰে সাৰিব
মৈদাম বগাই । কিন্তু শুনা, কালি এক

অপূৰ্ব্ব ঘটনা ;—খৰ্‌টকী প্ৰাণী এটি
মৈদাম বগাই ফুৰি আছে দম্ভ কৰি ;
কত যত্ন কৰি আমি নোৱাৰিলোঁ তাক
খেদাব নিলগ কৰি—তেতিক্ষণে আন ভাব
—সাধনীৰ সয়ম্বৰ কথা—আচম্বিতে
আহিল মনত। হঠাৎ কৰিলোঁ পণ,
"এপাট শৰেৰে, পেলাব পাৰিব শালি
যেয়ে এই প্ৰাণী, সাধনীৰ পাণি-লাভ
কৰিব সিজনে।"

মন্ত্ৰী।— যুগুত হইছে পণ।

পাৰিষদ।—ৰাজযোগ্য পণ।

ধৰ্ম্ম।— কি বোলোঁ পণ্ডিতে ?

পণ্ডিত।— আমিও বুলিছোঁ ভাল।
বিধাতাই পাতিছে যি জোৰা, মিলিব সি
যথা সময়ত।

পাৰিষদ।—স্বৰূপ কইছাঁ দেও !

মন্ত্ৰী।— কি কৰা উচিত এবে ?

পণ্ডিত।— 'শুভস্য শীঘ্ৰম্'।

মন্ত্ৰী।— বুজিছোঁ 'শীঘ্ৰম্'।
কিন্তু, কিৰূপে আৰম্ভোঁ
কাম, পৰামৰ্শ তাৰ সুধিছোঁ সভাক।

পণ্ডিত।— পৰামৰ্শ ?

মন্ত্ৰী-বাব বিচাৰাঁ সভাব ?

ধৰ্ম্ম।— ক্ষান্ত হোৱাঁ।
নহয় সময় ইটো ৰং-ধেমালিৰ।
কৰাঁ স্থিৰ,—কিবা ৰূপে সাধিবাঁ সকাম।

মন্ত্ৰী।— চিন্তা নাই মহাৰাজ!
কৰিম যুগুত দিহা পণ-ঘোষণাৰ;
সদউ ৰাজ্যত প্ৰচাৰিত হয় যাতে
আজি-কালিতেই।

ধৰ্ম্ম।— নহব নে প্ৰচাৰিত
স্বৰ্ণ, ৰত্ন, কাম আৰু সৌমাৰ পীঠত
সয়ম্বৰ পণ?

মন্ত্ৰী।— নহব সময় তাৰ।
দীৰ্ঘকাল প্ৰাণীৰক্ষা নহব সম্ভৱ।
ক্ষুদ্ৰ জীৱ থৰটকী যদিহে হেৰায়,
ঘটিব প্ৰমাদ!

সভাসদ।—সঁচা, হব সৰ্ব্বনাশ!

ধৰ্ম্ম।— কি হব উপায়?

পণ্ডিত।— উপায় অৱশ্যে হব।
ভীষ্মক ৰজাৰ যেনে মহা শঙ্কটত,
ঘটালেহি কৃষ্ণে আহি ৰুক্মিণী-হৰণ,
তদ্ৰূপ ওলাব কোনো বিপদ-তাৰণ
যথা সময়ত।

ধৰ্ম্ম।— যি কৰে ঈশ্বৰে!

মন্ত্ৰী।— ঈশ্বৰে ভালকে কৰে।

ধৰ্ম্ম।— দিন ধাৰ্য্য কৰা হোক
যথাবিধিমতে।

মন্ত্ৰী।— পণ্ডিতৰ বাব সিটো,
কৰিব পণ্ডিতে।

পণ্ডিত।— চিন্তা নাই মন্ত্ৰীবৰ,
অৱশ্যে কৰিম।

ধৰ্ম্ম।— ভাল কথা,
আজিলই এবেঁা ইমানতে।

(সকলোৰে প্ৰস্থান।)

## দ্বিতীয় গৰ্ভাঙ্ক।

——:*:——

গাভৰুৰ বুলনি।

( সাধনী আৰু শান্তি )

সাধনী।— কি দিম উপমা!
কোকিলৰ কণ্ঠ জিনি
গোৱাঁ যেবে তুমি হৃদয়-পমোৱা গীত,
পাহৰোঁ সংসাৰ, পাহৰোঁ আপোন-পৰ,
বিশ্ব-প্ৰেম বই পৰি কৰে বিমোহিত।
সঙ্গীতত, হেৰা সখী, আছে কি মোহিনী,—
চিন্তা-ভাব, শোক-তাপ, কেনিবা পলাই
অযাচিতে দিয়ে এৰি সন্তোষক ঠাঁই।

শান্তি।— সঁচা সখি!
সঙ্গীতত পমে মন-প্ৰাণ!
শুনোতে যি তৃপ্তি লাভ গাওঁতে শ-গুণ।

সাধনী।— সখী গোৱাঁ আৰু এটি।

শান্তি।— লাগে আৰু এটি?

সাধনী।— হয় সখি!
ৰোৱা নাই আবেগৰ বেগ;
দুগুণে বাঢ়িছে সি, বাঢ়ে যেন হাঁয়,
বাৰিষাৰ বেগৱতী নই। কুণ্ডিলৰ

কুণ্ড যেনে উপচি পানীৰে আহে বই
শ-দিয়া বুৰাই ; হৃদিকুণ্ড ফুটি মোৰো
বইছে আবেগ—বেগ হিয়া ওপচাই
শুনি তৱ মধুৰ ৰাগিনী। গোৱাঁ সখি !
গোৱাঁ আৰু এটি।

শান্তি।—লাগিছে ভাগৰ, সখি !

সাধনী।—এটি হলে হব,
আৰু নকৰোঁ আমনি।

শান্তি।—ভাল বাৰু, এটি মাথোঁ ;
নধৰিবা আৰু।—

গীত।

যোগিয়া—একতালা।

প্ৰেম স্থফুটিলে, ক্ষণ নিমিলিলে,
হিয়াতে হেঁপাহ পলায় অই !
( হাঁয় ) পূণ্য আশাটিয়ে, গোপনতে ভাহে,
গোপনতে মাৰ যায় অই !!
এই যে সংসাৰ,—
এই সংসাৰৰ কেওঁ
প্ৰেমৰ মহিমা নাপায়,
এই সংসাৰে প্ৰেম বিলাওঁতে ঢুকায় ;—
য'ত আছে হাঁয়,
নিতে প্ৰেম দিয়া-দিয়ি,
ততে গই প্ৰাণ জুৰায় অই ॥
( ক্ষন্তেক নীৰৱ )।

সাধনী।—কিযে সুললিত!
শুনিহে থাকিম যেন।

শান্তি।— শুনি থাকোঁ, গাই থাকোঁ,
এবোঁ আন কাম!

সাধনী।— সখি! নাপাবাঁ আমনি।

শান্তি।— নাই পোৱা সখী।
কিন্তু এটা কথা ; মন কৰি আছোঁ মই
দিন চাৰি পৰা, সঙ্গীতত আতিকই
বাঢ়িছে ধাউতি তৰ বেলেগ বেগেৰে।

সাধনী।— সঁচা সখি!
সঙ্গীতত বাঢ়িছে ধাউতি।
কিন্তু কিয়, কিবা ভাবে, টানিছে কলই,
নোৱাৰোঁ বখানি কব! যি ভাবে টানিছে
এই বিশ্ব-ব্ৰহ্মাণ্ডক শূন্যে শূন্যে তুলি,
সেই ভাবে টানে মোৰো ক্ষুদ্ৰ হৃদয়ক
কি জানো কলই! নাথাকাঁ যেতিয়া তুমি,
নুশুনো সঙ্গীত, তেতিয়া চাপেহি কাষ,
কৰেহি আমনি, আন এটি ভাবে ধৰি।
নেৰোৰোঁ ফুটাব তাৰো আধাফুটা ভাব ;—
কিবা নাই, কিবা লাগে, নুবুজো আপুনি ;
কৰে মন উগুল-থুগুল। সিটি ভাব
স্বৰগৰ ; ইটি মৰতৰ। দুয়ো যেবে
একে লগে কৰে টনাটনি, তোলপাৰ
হৃদয়ত কিযে কেনে কৰে, সাধ্য নাই

বুজাওঁ ভাষাৰে! মৰ্ত্তৰ ভাবনা যিটি
ধৰিছোঁ ভাবত; হিয়া দিয়া-দিয়ি তাৰ
উদ্দেশ্য মহান। কিন্তু হাঁয়, জনা নাই,
কাৰ হিয়া কোনে দিয়ে কাক। সপোঁ বুলি
আধা হিয়া আছোঁ সাজু হই, পাওঁ যদি
মিলনত বাকী আধা মোৰ।

শান্তি।— আৰু জানা,,
নৃত্য-গীত-সঙ্গীতত পাষাণো বিদৰে।

সাধনী।— কিনো হল পিচে?

শান্তি।— হোৱা নাই, হব পাৰে।

সাধনী।— কিনো হব পাৰে?

শান্তি।— হব পাৰে, —
কুমলীয়া হিয়া তব নাৰী জীৱনৰ,
তাতে পূৰ্ণ যৌৱনত; মজিছা যিদৰে
তুমি ধৰ্ম্ম-সঙ্গীতত একান্ত চিত্তেৰে,
নপমিব সেই হিয়া উদাস ভাবত
কোনে কব পাৰে এনে কথা?

সাধনী।— কি ক্ষতি দেখিলা তাত?
পমে যদি ক্ষুদ্ৰ হিয়া ধৰ্ম্ম-সঙ্গীতত,
ভাগ্য মোৰ, মিলিব সি অনন্ত ভাবত।
কিবা ক্ষতি তাত?

শান্তি।— ক্ষতি নাই, আছে লাভ।
নোৱাৰি তৰিব কিন্তু সেই লাভ লই
ভৱ-সংসাৰত।

সাধনী।— নুবুজিলা সখী হায়!
ভৱ-সংসাৰত আছে যদি তৰিবৰ
যথাৰ্থ যুগুতি, জানিবা নিশ্চয় হেৰা,
ধৰ্ম্ম হে প্ৰধান বল সেই সমাজত,
সহায়-সাৰথিহীন দুখী তৰিবৰ।

আৰু আনা সখি! নবহে যদ্যপি মন
ঈশ্বৰ-প্ৰেমত, মিছা তাৰ প্ৰেম-ৰাগ
নশ্বৰ দেহত।

শান্তি।— নালাগে বুজাব বাৰু।

সাধনী।— কিয় কোৱাঁ এনে?

শান্তি।— দেখি গতি সংসাৰৰ।
দেখিম তোমাতে; নাই আৰু বহুদিন;
সয়ম্বৰ পাৰ হলে, যদি বাঁচি থাকোঁ,
ৰিজাম তেতিয়া।

সাধনী।— সয়ম্বৰ!
নুলিয়াবাঁ সখী সেই কথা।
শুনিবৰে পৰা মোৰ সয়ম্বৰ-কথা,
উগুল-থুগুল মন, নাই শান্তি লেশ;
ভোগ-তৃষ্ণা, মায়া-মোহ, বিষয়-বাসনা,
অকালত মাৰ যায় যেন! মাৰ যায়
আৰু মোৰ আশা বাঞ্ছা সুখ কল্পনাৰ!

শান্তি।— নুলিয়াওঁ,
দায় যদি গুলালে ইমুখে!

সূর্য্যৰ মুখত কিন্তু কোনে শোপা দিয়ে!
বাটে-ঘাটে ঘৰে-পৰে ইয়াৰে হে কথা।

সাধনী।— নুবুজিলোঁ ভাব মোৰ!
দায় নাই উলিয়ালে ; কিন্তু শুনা সখী,
নাজানোঁ কিহেতু হাঁয়, লগা নাই ভাল
সয়ম্বৰ কথা। শান্তিত বিঘিনি যেন
বাজিছে প্ৰাণত।

শান্তি।— তাতে হে কইছোঁ সখি!
ধৰ্ম্ম-গীত শুনিবৰ নহয় সময়,
পূৰ্ণ-যৌৱনত। যৌৱনত উজুমন
চলে যেনি-তেনি!

সাধনী।— চলো যেনি-তেনি!

শান্তি।— চলিবাঁ কালত,
চলিবৰ সুসময় আহিব যেতিয়া।
এৰোঁ এবে এই সব সাংসাৰিক কথা ;
বলোঁ সখী ফুৰোঁগই ফুল-উদ্যানত।

সাধনী।— যোৱাঁ সখী,
ভাবিছোঁ নাযাওঁ আজি।

শান্তি।— লগৰ সখীটি,
এৰিম অকলে কিয়?

( হাতত ধৰি টানি নিয়ে। )

—০:*:০—

..গ্রাৰ্য

# তৃতীয় গৰ্ভাঙ্ক।

—◌:•:◌—

ৰাজবাট।

( নালীয়া। )

নালীয়া।—হওক, তেও ঈশ্বৰে যেনে-তেনেকৈ মোৰ বাঞ্ছাকেৰি পূৰালে। মই তাহানিয়েই কৈছিলোঁ নহয়, বোলোঁ কিয়নো লাগিছে পৰৰ ভকত, বিচাৰি চালে আমি ঘৰতে শকত। আমাৰ ইৰাজ্যত বিচাৰিলেনো সাধনী গাভৰুলৈ মনে-বছা দৰা এটি নোলাবনে? নাই, মোৰ কথা গোটেই ফুঁতে উৰুৱাই দি মোৰ বান্ধৱ ৰজাদেৰে কলে, "নাই, মোৰ সাধনীৰ লায়ক দৰা ইয়াত নাই;—গুণত নাই, ৰূপত নাই, ফেৰত নাই।" সেই দেখি ৰজাই দেশে দেশে কটকী পাচিলে; কিন্তু কতো হেনো তেওঁৰ মনে-ধৰা দৰা পোৱা নগল। বোলে, সাত পুৰুষ গল উদৰ কেঁচা মাছ খাওঁতে, এতিয়া তাক লাগে ভজা, খড়িকা-দিয়া আৰু পাতত-দিয়া। এইখন ৰাজ্যতে আগৰ ৰজা সকলে জীয়াৰী বিয়া দি বুঢ়া হৈ গল, এওঁলৈহে ইয়াত দৰা নোহোৱা হল! কিন্তু, মই গেঙ্কেলাই তেতিয়াই কৈছিলোঁ, বোলোঁ দেখিম,—দেখিম এই দুটা চকুৰে, আন ঠাইৰপৰা নো কেনে বিনন্দীয়া দৰা ওলায়হি! পিচে, এতিয়া

কেনে ? ভেচ্‌ভেচীয়া নহল ? বোলে 'গল কণা, আহিল কণা, খাগৰী কাটিলে তিনি কনা !' কটকী ককায়ে আনিলে কি, তিনি ফালৰ পৰা তিনটা টিলিকি ! যি হওক, এতিয়া কিন্তু গতি লাগিছে,—মই ৰিজাবলৈ তেও বাটটো মুকুলি হল ; এতিয়া ইয়াতে বোলে হেনো সয়ম্বৰ এখন পাতে ! এইবাৰ জানিবা ভগা ঢোলৰ বোলটো দেশ ছাৰি বিদেশলৈ বাজ নহল ; এই ভেঁকুৰা ৰাজ্যৰ ভিতৰতে সেই "জগত জাননী পতিত পাৱনী" ঘোষণাখন থাকিল। বাৰু, সেই ছোৱা এৰিছোঁ, পিচে এতিয়া সয়ম্বৰৰ পণ ৰক্ষা কৰেহি বা কোনে ?—ৰামেই আহে নে অৰ্জ্জুনেই আহে ?—নাই, পঞ্চনলেই বহে হি ? ইয়াৰহে তত্‌ ধৰিব পৰা নাই। বাৰু, দেখা যাওক, কাৰ ভাগ্যত কি ফলে, কাৰ পাতত কি পৰে।

( নিতাইৰ প্ৰৱেশ )

নালীয়া।—এ হে ! ই স্মৰণ কৰোঁতেই ওলায়হিয়েইনে কি ! কিন্তু ত্ৰেতাৰ তপস্বীবেশী শ্ৰীৰামচন্দ্ৰ নহয় দেখোন ! এওঁ দ্বাপৰৰ শ্ৰীকৃষ্ণ গৰখীয়াৰ বেশেৰে অৱতাৰ হৈছেহি হবলা ?

নিতাই।—অ, কি কৰিছ ককাই ?

নালীয়া।—এ, তোকেই হে চাইছোঁ ভাইটি !

নিতাই।—মোক আজি নেদেখাই দেখিলি নে কি ?

নালীয়া।—নহয়, নিতৌ দেখিছোঁ।

নিতাই।—পিচে, নেদেখাই চোৱা দি চাইছ কিয় ?

নালীয়া।—চাইছোঁ, বোলোঁ কিবা অৱতাৰ হলি বা !

নিতাই।—কি অৱতাৰ ?

নালীয়া।—ৰাম, কৃষ্ণ, অৰ্জ্জুন, নল—ইবিলাকৰ ভিতৰৰ এজনৰ অৱতাৰ বুলি মোৰ ভ্ৰম হৈছিল !

নিতাই।—কিয় ? কিয় ? মোৰ মূৰকে খা, কচোন, ক।

নালীয়া।—সয়ম্বৰৰ গোন্ধত বিট্-শগুণ নমাদি কোনোবা এজন নামিলহি বুলি ভাবিছিলোঁ,—আৰু কিয় ?

নিতাই।—কি সয়ম্বৰ ? সীতা-সয়ম্বৰ নে ?

নালীয়া।—বাৰু হব এখন সয়ম্বৰ, আহিবিচোন।

নিতাই।—ওঁ, আহিম তো ; কোন্‌টো নামঘৰত পাতিছে ককাই ?

নালীয়া।—নামঘৰত নহয় বলিয়া !—সেই শ-দিয়া মৈদামৰ কাষত ৰভা দি পতা হব সয়ম্বৰখন।

নিতাই।—আজি ৰাতিয়েই হব নে ?

নালীয়া।—ৰাতি নহয়, দিনত হে।

নিতাই।—ঔ আই ! দিনত নো সয়ম্বৰ পাতে নে ? কোন্ দেশত দেখিছঔ এনে কথা !

নালীয়া।—এই দেশতে দেখিবি ; বাৰু আহিবিচোন !

নিতাই।—ওঁ, আহিম বুলিছোঁ নহয়, আহিম। পিচে, কাহানিকৈ নো পাতিছে সয়ম্বৰ ভাওনাখন ?

নালীয়া।—বাৰু, আহিবি ; পৰহিলৈ দুপৰীয়া সেই মৈদামৰ কাষলৈকে আহিবি দেই।

নিতাই।—বাৰু, আহিম দেই। অঃ, এনে কথা আছে নে ? আখৰা দিওঁতে বতৰা পোৱা হলে ভাও এটাও লব পাৰিলোহেঁতেন নহয় !

নালীয়া।—একো কথা নাই, আখৰালৈ নহাকৈও ভাও দিব পৰা হব। তই বাৰু তোৰ ধেনু-কাঁড়জোৰ লগত লৈ আহিবিচোন।

নিতাই।—ধেনু-কাঁড় ? ওঁ, আনিব পাৰিম তো। মই সিবৈছা তালন চুবুৰীৰ নামঘৰত পতা সয়ম্বৰত লখ্‌মণ হৈছিলোঁ নহয়। সেইজোৰ কাঁড়ধেনুৱেই আছে।

নালীয়া।—সিবাৰ লক্ষ্মণ হৈছিলি! এইবাৰ ৰামৰ ভাও দিব লাগিব। কিন্তু, সেইজোৰ ধেনু-কাঁড়ে নহব, তোৰ চৰাই-মৰা ধেনু-কাঁড়জোৰ লৈ আহিবি। একেপাট কাঁড়েৰে কেৰ্কে টুৰা এটা শালি মাটিত পেলাবহি পাৰিবি জানো?

নিতাই।—ঐ আই, কিনো কৱ ককাই! কয়ম্বৰত আক' ক'ৰ কেৰ্কে টুৰা ওলাব কঁড়িয়াই শালিবলৈ?

নালীয়া।—বাৰু ওলাব এটা, মই কোৰা দৰে তই সাজু হৈ আহিবিচোন। কেৰ্কে টুৰা ওলায় যদি নোৱাৰিবি জানো শালিব?

নিতাই।—কিয়! কি বৰ কথাটো! সিদিনা আমাৰ বাৰীৰ কুমলীয়া তামোল সৰুৱাই থাকোঁতে এটা কেৰ্কে টুৰা একেপাট কাঁড়েৰে সৰকাই মাটিত পেলালোঁ নহয়।

নালীয়া।—ভাল কথা। তই ঠিক পাৰিবি বুলি মোৰ মনে ধৰিছে। বাৰু, শালিব পাৰ যদি ৰজাৰ দৌলত পাবি, জানিছ।

নিতাই।—বাৰু ককাই, বাৰু। মই যাওঁহে এতিয়া দেই। গৰু কেইটা কাৰোবাৰ ধাননিত উঠিবগৈ!

(প্ৰস্থান)

নালীয়া।—যাওঁ ময়ো। সাধনী-সয়ম্বৰ-ভাওনাখন পতাব লাগে ভালকৈ। উঃ, ৰজাৰ কাণ্ডখন দেখিহে মৰোঁ!

(প্ৰস্থান)

—০—

# চতুৰ্থ গৰ্ভাঙ্ক ।

—০ঃ(*)ঃ০—

## অন্তঃপুৰ ।

( ধৰ্ম্মধ্বজ আৰু লীলাৱতী । )

ধৰ্ম্ম ।— পূৰ হল কামনা তোমাৰ ।

লীলা ।—কিবা নাথ ?

ধৰ্ম্ম ।— সাধনীৰ সয়ম্বৰ চাপিলেহি আজি !

লীলা ।—পৰম সৌভাগ্য মোৰ ।
শুনিবৰেপৰা সেই সুখৰ বাতৰি,
আনন্দে নধৰা মোৰ হইছে পৰাণ ।
শলাগনি অন্তৰৰ, মাতৃ-হিয়া-ভৰা,
লোৱাঁ প্ৰাণেশ্বৰ ।

ধৰ্ম্ম ।— বুজা নাই, শলাগনি
কোনে কাৰ পায় ।

লীলা ।—পূৰালে যি মনোবাঞ্ছা
যাৰ অন্তৰৰ, সেয়ে পায় বিধিমতে
শলাগনি তাৰ ।

ধৰ্ম্ম।— নহওঁ গৰাকী আমি
বাঙ্গা পূৰাবৰ। বাঙ্গাৰ গৰাকী যি,
—স্রজোঁতা বাঙ্গাৰ—কৃতজ্ঞতা আমাসাৰ
তেৱেঁ অধিকাৰী।

লীলা।—সঁচা, কিন্তু, নাথ,
নাৰীৰ গৰাকী নৰ; ঈশ্বৰ নৰৰ;
সৰল শলাগ মোৰ নাৰী অন্তৰৰ,
যাব যথাঠাই তোমাৰ চৰণ চুই।
"ঈশ্বৰে যি কৰে, ভাল মানুহ-কাৰণে,"
—ভালে যেন ফলিয়ায়।

ধৰ্ম্ম।— ভাবিছোঁ তাকেহে ময়ো।
ইচ্ছাময়ে কৰে ইচ্ছা, কাৰ্য্যফল তাৰ
ফলিয়ায় মানৱত। ইয়ো এক জানা,
তাৰে অভিনয়।

(লিগিৰীৰ প্ৰৱেশ)

লিগিৰী।—মহাৰাজ!
মন্ত্ৰীবৰে পাচিছে ডুৱৰী।

ধৰ্ম্ম।— মিলিব সাক্ষাৎ।

লিগিৰী।—যিবা আজ্ঞা মহাৰাজ!

(লিগিৰীৰ প্ৰস্থান)

ধৰ্ম্ম।— যাওঁ আমি পাতোঁগই
সয়ম্বৰ সভা। চাপিছেহি মন্ত্ৰীবৰ
যথা সময়ত।

(ৰজাৰ প্ৰস্থান)

লীলা।—মোৰা নাথ !
কৰোঁ স্তুতি বিপদতাৰিণী ।

গীত।

টোৰি—ঢিমেতেতেলা।

জয় দুৰ্গা দুৰ্গতিনাশিনী।
হে বিপদতাৰিণী ॥
আপদে নিস্তাৰিণী, তাপ ক্ষয়কাৰিনী,
সন্তাপহাৰিনী,
পতিতপাৱনী,
মিলিলে অপায় নৰে শান্তিছাঁয়াদায়িনী ॥
( মৌন )

লীলা।—যাওঁ ময়ো,
বাহিৰৰ লওঁ গম্-গতি। ( প্ৰস্থান )

———

## পঞ্চম গৰ্ভাঙ্ক।

—:৹:—

সয়ম্বৰ সভা।

( সভাসদ, কন্যাপ্ৰাৰ্থীসকল, নিতাই, নালীয়া, দৰ্শকমণ্ডলী

এজন কন্যাপ্ৰাৰ্থী।—কতপৰ বাকী আৰু ?

সভাসদ।—নাই বহুপৰ।

ওলাবহি মহাৰাজ মন্ত্ৰীবৰ সতে।

( ভিতৰ চৰালৈ চাই ) ওলালেহি কওঁতেই।

( মন্ত্ৰী আৰু ধৰ্ম্মধ্বজৰ প্ৰৱেশ আৰু আসন গ্ৰহণ )

মন্ত্ৰী।—( আসন এৰি উঠি ) শুনা সভাসদ
আৰু দৰ্শকমণ্ডলী, শুনিবা সবাৰে
সয়ম্বৰ-পণ :—'শৰ-দিয়া মৈদামত'
এক পক্ষ কাল, মহতালি কৰি আছে
ক্ষুদ্ৰ এটা প্ৰাণী,—কেৰ্‌কেটু নাম তাৰ।
নামানে সি মহাৰাজ, নডৰে একোতে,
দম্ভ কৰি ফুৰে মাথোঁ চালি ধৰি ধৰি,
সৌ মৈদাম বগাই ; অকস্মাৎ পিচে,
মহাৰাজে কৰিলে ই পণ,—"একেপাট
শৰে যেয়ে শালি সেই প্ৰাণী, পেলাবহি
পাৰে সভা-সমুখত ; সাধনীৰ পাণি-
লাভ কৰিব সিজনে।"

ধৰ্ম্ম।—শুনিছাঁ সবাৰে।
শুনিলা যি মন্ত্ৰী-মুখে আমাসাৰ পণ,
স্বৰূপ মানিবাঁ তাকে। সভা-সমুখত
কৰিছোঁ স্বীকাৰ আমি।

মন্ত্ৰী।—উঠাঁ এবে জনে জনে
পণ-প্ৰাৰ্থীগণ! লই নিজ ধনু-শৰ
চাপাঁহি ওচৰ। নতু, যেয়ে ইচ্ছা কৰে,
ৰাজদত্ত ধনু-শৰ কৰিব গ্ৰহণ।
আৰু এটি কথা ৰাখিবাঁ মনত সৱে,
একেপাট শৰে নিপাতিব পাৰা যাতে
পণস্থিত প্ৰাণী; দুনাই নাপাবাঁ বাৰ
পণ লাভলই।

১ম, প্ৰাৰ্থী।—বুজিছোঁ বিশেষ
পণ-প্ৰস্তাবৰ কথা।
জানোঁ মই আঁতি-গুৰি সকলো কথাৰ।
কিন্তু এটা কথা, সিদ্ধি যদি কৰোঁ লাভ,
সাধনীৰ পাণি মই নকৰোঁ গ্ৰহণ;
সম্বন্ধত ভনী মোৰ সাধনী সুন্দৰী।

মন্ত্ৰী।—কিবা অৰ্থে উঠা তেন্তে তুমি?

১ম, প্ৰাঃ।—আছে অৰ্থ।
লভোঁ যদি পণ মই, লভিব বন্ধুৱে
মোৰ, সাধনী ৰতন। আহোম ৰাজন
তেওঁ বান্ধৱ প্ৰবৰ।

মন্ত্ৰী।—নকৰোঁ আপত্তি।

১ম, প্ৰাঃ।—দেখিবাঁ দৰ্শকগণ,
লভোঁ এই পণ।
( আগ বাঢ়ি গৈ কাঁড় মাৰে ; আৰু বিফল হৈ বিষণ্ণ মনেৰে ঘূৰি আসন লয়গৈ। )

সভাসদ।—আচৰিত !
এই হেন সিদ্ধহস্ত বীৰে
চকুৰ আগতে থকা ক্ষুদ্ৰ প্ৰাণী এটা
নোৱাৰি পেলাব শালি ললেহি আসন !

মন্ত্ৰী।—আহাঁ আৰু আছাঁ কোন ;
কৃতী হই লভাঁ কীৰ্ত্তি, লভাঁহি ৰতন,
ৰূপে-গুণে অতুলনা সাধনী সুন্দৰী।
ঐশ্বৰ্য্য-বিভূতি, আৰু ৰজাৰ গৌৰৱ
আছে যৌতকত।

২য়, প্ৰাৰ্থী।—উঠিছোঁ ইবাৰ মই,
দেখোঁ বাৰু কিনো ইটো আহিছে অমৰ !
কত শত ক্ষুদ্ৰ লক্ষ্য শালিছোঁ শৰেৰে ;
আকাশে দি উৰিযোৱা টিপচী এটিও
এবাৰ নোৱাৰে মোৰ অব্যৰ্থ সন্ধান।
—ইনো কিবা ছাৰ !

এজন সভাসদ।—পাৰিলে পাৰিব পাৰে ;—
সামান্য নহয় এওঁ চিকাৰী পুৰুষ।
কইছে স্বৰূপ ; দেখিলোঁ সিদিনা মই
আপোন চকুৰে, নিলগতে চাচি থকা

বালি-মাহী এটি, এপাট কাঁড়েৰে সঁচা
থলে সৰকাই !

দৰ্শক।—সিদ্ধি হোক,
হয় যদি ঈশ্বৰ কৃপাত।
বিষয়াৰ পুত্ৰে যদি লভে সাধনীক,
থাকিব গৌৰৱ এই ৰাজ-বঙহৰ।

২য়, প্ৰাৰ্থী।—চোৱাঁ সৱে সভাসদ,
শালিলোঁ ইবাৰ। (কাঁড় মাৰে, আৰু বিফল হৈ বিমৰ্ষ ভাৱে উলটি আহে।)

সভাসদ।—অতি আচৰিত !
এই হেন সুনিপুণ চিকাৰী পুৰুষ
হল ভগ্নমনোৰথ !

মন্ত্ৰী।—নহবাঁ হতাশ।
আছে ৰই আৰু বহু সিদ্ধহস্ত জন,
ৰূপ গুণ গৌৰৱত ওথ ঠাই লই !
ধৰাঁ সৱে মনোবল আগ কৰি পণ,
লক্ষ্য কৰি আৰু সেই লক্ষী সাধনীক,
আহাঁ এটি এটি কৰি।

৩য়, প্ৰাৰ্থী।—নহওঁ হতাশ।
শালিম নিশ্চয় পণ এপাট শৰেৰে,
সেনাপতি বংশধৰ হওঁ যদি মই।
সাধিছোঁ সাধনী মই বহু দিনপৰা ;
সিদ্ধি হব মনোৰথ।

সকলোৱে।—হোক সিদ্ধি,
সকলোৱে কৰিছোঁ কামনা।
৩য়, প্ৰাৰ্থী।—হল সিদ্ধি,
চোৱাঁ এই বাৰ—
( শৰ নিক্ষেপ কৰে; আৰু বিফল হৈ বেজাৰ মনেৰে ঘুৰি আহে।)
( সকলো স্তম্ভিত! সভা জঁয় পৰিল!!)
ধৰ্ম্ম।—আচৰিত বাস্তবিক!
সভাসদ।—অতি আচৰিত!
মন্ত্ৰী।—নোহে আচৰিত।
আৰ্জ্জিলে ভুঞ্জিব লাগে, নাই তাৰ লৰ;
আৰ্জ্জিছোঁ ই পণ যেৰে, নিশ্চয় লভিম
অজি শুভফল তাৰ। নহবাঁ হতাশ,
আহাঁ আৰু আছোঁ কোন্। কুল-মৰ্য্যাদাৰ
নকৰোঁ বিচাৰ; কৰা নাই তেনে পণ।
আহাঁ চাপি কোনে পাৰাঁ লভি ৰাজপণ
লভাঁহি সাধনী ধন।
নালীয়া।—( দৰ্শকমণ্ডলীৰ মাজৰপৰা ) নিতাই!
নিতাই।—ককাই!
নালীয়া।—এইবাৰ আমাৰ পাল। সাজু হ!
নিতাই।—কোনোবাই কিবা কয় বা ককাই!
নালীয়া।—কোনে কি কব পাৰে? মই আছোঁ। তই ভয় নকৰিবি!
নিতাই।—নহয় ককাই! সৌবোৰ বৰ বৰ বিষয়াৰ লৰাই পৰা নাই;
মই পাৰিলে, মোক কিবা কৰে বা?
নালীয়া।—হেৰ, কোনে কি কৰিব! ভাল হে আকৌ; সৌৱা মন্ত্ৰী-

দৌতাই কি কলে শুনা নাই!—যেয়ে একে পাট কাঁড়েৰে—
কেৰ্ক্কে টুৱাটো শালি মাটিত পেলাব, সেয়ে পাৱ।

নিতাই।—কি পাব? কি পাব, ককাই?

নালীয়া।—বহুত পাব; এতিয়া তোক সেইবোৰ কথা নালাগে। তই
ধেনু-কঁাড় লৈ মুঠেই আগ বাঢ়্।

নিতাই।—যাওঁ বাৰু। তই মোৰ লগ নেৰিবি দেই ককাই! মই
হলে কালৈকো নাচাওঁ, পোনেই মাৰিমগৈ।

( নালীয়া আৰু নিতাই আগ বাঢ়ে)

সভাসদ।—কোন সিটো, লাগে
কিবা তাক?

নালীয়া।—এওঁ সেই পণ মাৰিবলৈকে আগ বাঢ়িছে।

সভাসদ।—যা ঘূৰি হেৰ, নহবি বলিয়া!

নালীয়া।—নহয় বলিয়া। মন্ত্ৰী ডাঙৰীয়াই কোৱা মতে হে তেওঁ
আগ বাঢ়িছে।

দৰ্শক।—উন্মাদ জানিছোঁ সিটো;
নহলে সি বাঢ়ে আগ এনে কামলই!
দিয়া ওভোতাই

মন্ত্ৰী।—নকবা সি কথা।
ৰজাৰ পণত নাই কোনো ভেদাভেদ;
দিছোঁ ব্যাখ্যা ইতি আগে।

ধৰ্ম্ম।—সত্য কথা;
শুদ্ধ ব্যাখ্যা দিছে মন্ত্ৰীবৰে।

সভাসদ।—বাৰু তেন্তে,
নাবাধোঁ কাঁড়ীক!

নালীয়া।—নিতাই!

নিতাই।—ককাই!

নালীয়া।—ওঁ, ভালকৈ টোৰাই লৈ দে মাৰি।

নিতাই।—বাৰু তেন্তে, চাবি দেই ককাই!

( কাঁড় মাৰি কেৰ্ক্কে টুৰা শালি মাটিত পেলায় )

[ সকলো স্তম্ভিত! সভা জঁয় পৰিল!! ]

ধৰ্ম্ম।—বিধিৰ লিখন হাঁয়! ( মৌন )

মন্ত্ৰী।—নাযায় খণ্ডন! ( মৌন )

( ৰৰমাল্য লৈ সখীৰে সৈতে সাধনীৰ প্ৰবেশ )

সাধনী।—চোৱাঁ পিতৃ, মন্ত্ৰীবৰ,
আৰু যত দৰ্শক-মণ্ডলী। চোৱাঁ সৱে,
বৰোঁ এবে স্বামী-গুৰু ধৰ্ম্মসাক্ষী কৰি।
দিয়াঁ আশীৰ্ব্বাদ।

( নিতাইক মালা পিন্ধাবলৈ যায় )

সভাসদ।—কি কৰাঁ! কি কৰাঁ!!

সাধনী।—বৰোঁ স্বামী-গুৰু।

সভাসদ।—কাক স্বামী বোলাঁ তুমি!

সাধনী।—লভিলে যি পণ।

সভাসদ।—সামান্য কাঁড়ীৰ লৰা,
ফটাকানি পিন্ধা! বৰমাল্য দিবাঁ তাকে?
কি ভ্ৰম তোমাৰ!

সাধনী।—ভ্ৰম মোৰ!
কিবা কোৱাঁ সভাসদ হেৰা?
দেখি আছোঁ যতমানে আপোন চকুৰে,

যতমানে বীৰবৰ আহি ঘূৰি গল,
ভগ্নমনোৰথ হোৱা দেখিলোঁ সবাৰে ;
ভাগ্যধৰে শেহন্তত ৰক্ষা কৰি পণ,
দেখালে ভাগ্যৰ বল জন-সমাজত।
নাভাবিবাঁ কাঁড়ী-লৰা সামান্য-পুৰুষ,
আৰ্জ্জিলে যি গৌৰৱৰ দুঃসাধ্য ৰতন,
নাপালে যি মহাধন বীৰ-বংশধৰে।
শামুকৰ গৰ্ত্ত এৰি ওলালে মাণিক,
কোনে এবে ঘিণ কৰি তাক ? ছায়ে-ঢকা
অগ্নিশিখা কোনে পাৰে গণিতা নকৰি ?
ভাবি চোৱাঁ আৰু, পিতৃৰ কৰম হেতু
জন্ম সন্তানৰ ; নতুবা সি অৰ্থহীন
সৃষ্টিৰ ভাওনা,—ফুলে, সৰে, শেষ তাতে,
বাঁজী ফুলপ্ৰায় ! পিতৃৰ কৰম মোৰ
আছিল প্ৰতিজ্ঞা ঘোৰ পণ ৰক্ষা কৰা ;
সাধিলে যি কৰ্ম্ম সেই ৰক্ষা কৰি পণ,
প্ৰকৃত সন্তান তেওঁ পিতৃ-দেৱতাৰ,
সৃষ্টি-বিধিমতে। বুলিবানে ভ্ৰম মোৰ,
বৰোঁ যদি হেন জন স্বামী-গুৰু বুলি ?

সভাসদ।—নামানোঁ সি কথা।
নোৱাৰাঁ বৰিব তুমি এই কঙ্গালক,
নিদিওঁ আনিব আমি কূযশ কুযশ ;
নহবাঁ অজ্ঞান তুমি।

সাধনী।—কি বোধ তোমাৰ !

লভিলে যি পিতৃ-পণ অসাধ্যক সাধি,
ৰাখিলে যি পিতৃনাম ঘোৰ শঙ্কটত,
সিজন সামান্য নোহে মোৰ বিচাৰত ;—
আৰাধ্য দেৱতা তেওঁ আজি হন্তে মোৰ।

পিতৃ-ধৰ্ম্ম, পিতৃ-কৰ্ম্ম. পিতৃ-গুণ-মান
শৰীৰৰ ৰক্ত-মাংস মোৰ। সেই ধৰ্ম্ম,
সেই কৰ্ম্ম, সেই গুণ-মান ৰাখিলে যি,
তাত পৰ শ্ৰেষ্ঠ জন এই সংসাৰত
নধৰে মনত মোৰ।

(মালা পিন্ধাবলৈ আগ বাঢ়ে)

সভাসদ।—ক্ষান্ত হোৱাঁ, নবৰাঁ কুজন।
সাধনী।—(জ্বলি উঠি) ক্ষান্ত হম!
ক্ষান্তৰ কাৰণ মই নেদেখোঁ সমূলি।
কি বুলি কুজন বোলা এনে সুজনক,
ৰাখিলে যি পুণ্যপণ পিতৃ-দেৱতাৰ,
ৰাখিলে ধৰম সেই ধৰ্ম্মৰাজনৰ।
ধনী হোক, দীন হোক, চণ্ডাল যদ্যপি,
কুৰূপৰ আহিঁ আৰু অতি অভাজন
হয় যদি সেই জন, বৰিলোঁ তথাপি।

(মালা পিন্ধায়)

সকলোৰে।—হৰি হৰি !!
প্ৰভো! কি কাম কৰালা তুমি!

মন্ত্রী।—নকৰ্বা আক্ষেপ।

ভাবিছোঁ যুগুত দিহা খেদ গুচাবৰ।
আজি হন্তে যুৱৰাজ হোক এই বৰ,
গুচোক অপায় যত হীন-মৰ্য্যাদাৰ।
দিয়া মত সকলোৱে।

সকলোৱে।—নাই অন্যোপায়!
দিছোঁ মত একেস্বৰে।

ধৰ্ম্ম।—চোৰাঁ মন্ত্রী,
সভাসদ দৰ্শকমণ্ডলী;
চোৰাঁ আৰু দেৱগণ আকাশে দি জুমি,—
পিন্ধাওঁ মুকুট এই ছুটীয়া ৰাজৰ,
একেটি সন্তান মোৰ সাধনী-স্বামীক।
দিওঁ আৰু ৰাজ-সাজ হৰিষে সলাই;
পিন্ধোৱাঁ এজনে উঠি সমাজ মাজত,
যথাবিধি সম্মান জনাই। আৰু দিওঁ,
'কুবেৰ প্রদত্ত ৰত্ন',—ঢাল, তৰোৱাল,
ধন আৰু সোণৰ মেকুৰি,—ৰাজলক্ষ্মী
ছুটীয়া ৰাজৰ। দিছোঁ এৰি সিংহাসন
ছুটীয়া ৰাজ্যৰ; আজি হন্তে ৰজা এওঁ
নীতিপাল নামে। মানিবাঁ সবাৰে যেন,
কৰিবাঁ সন্মান; ৰাখিবাঁ ভকতি আৰু
আমাৰ সমানে। লইছোঁ বিদায় এবে
আজি হন্তে আমি; ধৰ্ম্মচৰ্চ্চা তপস্যাত

কটাম জীৱন, কুণ্ডিল কুণ্ডত গই।
কৰাঁ এবে আশীৰ্ব্বাদ নব ৰজা-ৰাণী।

সকলোৱে।—জয় মহাৰাজ নীতিপালৰ জয়!
জয় মহাৰাণী সাধনীৰ জয়!!

(অন্তঃপুৰত উৰুলি)

---

দ্বিতীয় অঙ্কপাত।

জিৰণি-পট ক্ষেপণ।

—০:*:০—

# তৃতীয় অঙ্ক ।

## প্ৰথম গৰ্ভাঙ্ক ।

আহোম ৰজাৰ চৰা।

( চুহুম্মুং, কনচেং আৰু ৰাজখোৱা । )

ৰাজখোৱা ।—শুনিছেনে
ছুটিয়াৰ সয়ম্বৰ কথা ?
কনচেং ।—শুনা আছে মোৰ ।
চুহুম্মুং ।—শুনিছোঁ আমিও ।
ৰাজখোৱা ।—শুনা নাই এনে
অদ্ভুত কাহিনী কতো !
কনচেং ।—কিনো অদ্‌ভুত
পালা সেই কাহিনীত ?
সয়ম্বৰ প্ৰচলন সভ্য সমাজত
চলি গৈছে চিৰকাল পুৰণি কালত ;—
সীতা, দময়ন্তী আৰু দ্ৰৌপদী সতীৰ,
সয়ম্বৰ কথা আজি অবিদিত কাৰ ?
চুহুম্মুং ।—নিদিবা তুলনা
পুণ্য পাৰিজাত স'তে
পৃথিবীত সৰি পৰা মদাৰ ফুলৰ !

কনচেং।—স্বৰ্গদেৱ !

নজৰে তুলনা সঁচা
স্বৰ্গৰ জেউতি সতে মৰ্ত্ত্য-পোহৰৰ ;
মানিব লাগিব কিন্তু ধ্ৰুৱসত্য বুলি
মৰ্ত্ত্যৰ পোহৰে মাথোঁ জিলিকায় নৰ।

চুহম্মুং।— যুক্তিসিদ্ধ কথা।
কিন্তু পুনু চোৱাঁ ভাবি,
কিবা ফল দিলে সয়ম্বৰে !—ছুটীয়াৰ
ৰাজনীতি উলজ্যাই দেখোঁ, বৰমাল্য
সমৰ্পণ সাধাৰণ ছুটীয়া নৰাত ?

ৰাজখোৱা —ভাগ্যৰ বলত
সম্ভৱ সকলো হয় !

কনচেং।—হব পাৰে সিটো
সামান্য ছুটীয়া নৰা,
লভিলে যি বৰমাল্য ৰাজ-দুহিতাৰ ;
কিন্তু সেই লাভ তাৰ সামান্য নহয়,
লভিছে যি অসমান্য পণ লাভ কৰি।
নাজানিব পাৰোঁ আমি কিযে গুণাকৰ
হব পাৰে সেই নৰ, সামান্য ঘৰৰ।
নহলে সম্ভৱ নোহে ইতৰৰ পক্ষে
ইহেন বিকাশ দিয়া গুপ্ত প্ৰতিভাৰ।
ভাগ্যবল কথা মাথোঁ দুৰ্ব্বলৰ বাণী ;
নাই তাত লেশমাত্ৰ সাৰ। নাই যাৰ
মনোবল, ভাগ্যে তাৰ নোৱাৰে আৰ্জ্জিব

No. A.690
Date 2/8/55
RAJSAHIB... DIBRUGARH COLLEGE

জ্ঞান-চৰ্চ্চা-বত্নফল ; আৰু আন মতে
নোৱাৰে লভিব কেৱে যশস্যা বীৰৰ
নাই যাৰ সাহ-বীৰ্য্য শাৰীৰিক বল।
ইও এক সত্য কথা,—নাথাকিলে মূল
নোৱাৰে বাঢ়িব গছ এই পৃথিবীতে।

চুহুম্মুং।— জ্ঞানগৰ্ব্ভ কথা।
ৰাজনীতি, ধৰ্ম্মনীতি,
সমজ্ঞানী সমদৰ্শী তুমি ডাঙ্গৰীয়া।
এৰাঁ এবে সেই কথা, নাই প্ৰয়োজন।

কনচেং।— প্ৰয়োজন
স্বৰ্গদেৱ, দেখোঁ সুবিস্তৰ।
অপৰ ৰাজ্যৰ কথা, ৰজাৰ পদ্ধতি,
আলচিলে বহুলাভ আছে পাবলই !
ছুটীয়া প্ৰসঙ্গে এই যথা সময়ত,
টানিব বিস্তৰ লাভ, ধৰে মোৰ মনে।

চুহুম্মুং।— ধন্য তুমি,
ধন্য আৰু দূৰদৃষ্টি তৱ।
দেখা যাব সময়ত যিবা লাভালাভ ;—
যশস্যাৰ ভাগী তুমি আছাঁ নিৰন্তৰ।

কনচেং।— ভাল স্বৰ্গদেৱ !
মাগিছোঁ বিদায় এবে।
হব লাগে যাত্ৰা কালি উষা-পূৱাতেই,
আমাসাৰ ৰাজকাৰ্য্য উদ্দেশি ভাটীত।

দিখৌমুখত এক চকী পাতিবৰ
স্থদিহা কৰিব লাগে,—আছোঁ আদেশিত।
চুহুম্মুং।—ভাল কথা,
উঠোঁ তেন্তে, যোৱাঁ ঘৰাঘৰি। ( প্ৰস্থান )

——*——

# দ্বিতীয় গৰ্ভাঙ্ক।

—০:*:০—

## উদ্যান।

( সাধনী আৰু নীতিপালৰ উদ্যান ফুৰণ )
( দুফালৰপৰা দুগৰাকী গায়ীকাৰ প্ৰৱেশ )

গীত।

বিহঙ্গড়া—জলদ একতালা।
ভুলি গতি আমি হেৰা আহিছোঁ অই !
স্বৰগ ছুৱৰী, আমি দুই কিন্নৰী,
শুনি বাঁহি, নামোঁ হাঁহি-
দুয়ো প্ৰেমময়ী অপেচৰী।
উদ্যান উজলি ফুলিছে ফুলকলি
আদৰেৰে তোলোঁগই আমি।
সেউতি-মালতী, ফুলমাহী যাতি-যূতী,
হালি-জালি হাঁহে পদুমী।
আহোঁ আমি চাই হাঁহি, হাঁহি হাঁহি অকলই ॥
( দুইৰো দুফালে প্ৰস্থান )

নীতিপাল।—প্ৰিয়া!

সাধনী।—প্ৰাণেশ্বৰ!

নীতি।—কি যে মনমোহা গীত!

সাধনী।—অতি মনোহৰ!

শুনিছে থাকিম যেন।

নীতি।—আৰু, প্ৰাণেশ্বৰী,—

সাধনী।—কিবা কোৱাঁ প্ৰাণেশ্বৰ!

নীতি।—যেনি চাওঁ, দেখোঁ মাথোঁ মৰমৰ চিন্!

সাধনী।—সঁচা, জগৎ-সংসাৰ যেন মৰমৰ ছবি!

নীতি।—দেহ-মন কিহে জানো জুৰ কৰি নিয়ে!

সাধনী।—শান্তিৰ বিকাশ মাথোঁ দেহ-মনে ধৰে।

নীতি।—সঙ্গ-সুখ মূল তাৰ জানিবাঁ নিশ্চয়।

সাধনী।—জানিছোঁ নিশ্চয়, সঙ্গে মাতে সুখ-দুখ।

নীতি।—তোমাৰ সঙ্গত বিভোল পৰাণ মোৰ!

পাহৰিলোঁ পূৰ্ব্বভাব পূৰ্ব্বৰ সঙ্গতি।

সাধনী।—অতি অনুগ্ৰহ; ভুলিছাঁ সি সব যদি।

নীতি।—ভুলিছোঁ সঁচাকে'; পতিয়াবাঁ প্ৰাণেশ্বৰী।

নলওঁ" আগৰ লগ, ভুলিছোঁ সি সব।

সাধনী।—নাই ভুল; ছায়ে-ঢকা অগ্নিশিখা তুমি!

নীতি।—আহাঁ প্ৰিয়া, ফুৰি ফুৰি যাওঁ বাজ হই।

(দুইবো প্ৰস্থান।)

(নালীয়াৰ প্ৰৱেশ।)

নালীয়া।—উঃ, কি কথা বোলে! কিনো ময়াপীৰ গীত ঔ! কাণেৰে শুনোঁ, চকুৰে নেদেখোঁ! আকৌ চকুৰে ৰিণিকি ৰিণিকি

দেখোঁ যেন লাগিলেও কাণেৰে নুশুনা হওঁ। যাওঁহে যাও, ওচৰ নাপাওঁগে! এই পালোঁহি, এই নাই! শুনিলোঁ বাহিৰত, বাজিছে অন্তৰত। উঃ! তাৰ চেৱে-চেৱে কনেকৈ নাচিছে বুকুখন মোৰ! ইয়াকেহে পণ্ডিতে হিয়াত-লগা বুলি কয় হবলা? আমাতেই ইমান, আমাৰ ন-ৰজা নিতাইত—অ. শ্ৰীবিষ্ণু!—নীতিপালত ভালকৈয়ে ইয়াৰ টোপাল পৰিছে চাগৈ। আমাৰ ন-ৰজা নিতৌ গীত-নাচাত মজি থাকে বুলি কোৱাকুই কৰা শুনোঁ। এৰা, আমিয়েইচোন ৰব নোৱাৰো! গীত-নাচত কিবা যাদু আছে হবলা? যি হওক, বায়নৰ ডেকাই তেও এইটো ভাল বুলি উলিয়াইছে; গীত-নাচৰ জালেৰ নধৰিলে আজিকালি আমাৰ তাহানিৰ নিতাই-বান্ধক লগ ধৰাই টান হৈছে। উঃ, কটা, কেনে অগুণকাৰী। বোলে যাৰ যহত শাক-সেন্দুৰ, তাক পাতে ভোকোৰা এন্দুৰ! এই নালীয়া নোহোৱা হলে ভোকোন্দৰ পিতেক নিতায়ে সয়ম্বৰত সাধনী আইদেউক পাই ভালকৈয়ে আজি নীতিপাল ৰজা হলহেঁতেন! সেই দিনা হলে নালীয়া ককাই নহলে আগকে নোবাঢ়ে; এতিয়া নালীয়াক দেখিলেও নিচিনাতে পৰিল! বাৰু, মই নালীয়াহে হওঁ যদি, আকৌ দিম চিনাকি; খুৱাম ৰাজপাট। হোঁঃ—চেলু কিন্তু ধৰি থৈছো। মোকো ৰাজসভাত বিষয় এথন দিম বোলা আছে। আগৰ মন্ত্ৰী-বিষয়া তো এতিয়া নাই; সোমাই লবলৈ পালে নালীয়াভকৈ বিচৈথনীয়া মন্ত্ৰী ওলাব নালাগে দেখোন। বাৰু!

(প্ৰস্থান।

---*---

## তৃতীয় গৰ্ভাঙ্ক।

—✽✽∷◦∷✽✽—

ৰংঘৰ।

( নীতিপাল আৰু নতুন বিষয়াবৰ্গ। )

প্ৰথম ন-বিষয়া।—আছে কোন্ এখেত সমান!

দ্বিতীয় ন-বিঃ।—নাই, নাই, নাই।

তৃতীয় ন-বিঃ।—পৃথিবীত এওঁমান নাই নৰপতি।
ৰূপ-গুণ গৌৰৱত নাই সমতুল।

১ম, ন-বিঃ।—ভাগ্যৱন্ত জন!

২য়, ন-বিঃ।—দেখোঁতেই ভাগ্যধৰ।

৩য়, ন-বিঃ।—নহেলোনো অযাচিতে পায় ৰাজভোগ?
ভাগ্যত থাকিলে ভোগ মিলেহি আপুনি;
মিছাতে যতন কৰে, দুৰ্ভগীয়া নৰে!

নীতি।—বহি খোৱা বেয়া ৰীতি, মন্ত্ৰী উপদেশ।
শাস্ত্ৰে কয়, ৰাজলক্ষ্মী নাথাকে ৰাজ্যত,
ৰজাই নবয় যদি ৰাজ্যভাৰ নিজে!

৩য়, ন-বি।—ঈৰ্ষা ভাষে বৃদ্ধমন্ত্ৰী
কৰিছে বলিয়া; বাকী নাই বুজিবৰ
মনোভাব তাৰ। ভাঙ্গি পাতি ৰজা হব
খোজে সদাগৰ!

২য়, ন-বিঃ।—অশোভন অতি।
মহাৰাজে বয় যদি ৰাজকাৰ্য্য ভাৰ,
বিষয়া লগিছে কিয়?

১ম, ন-বিঃ।—স্বৰূপে কইছাঁ তুমি।

নীতি।—হব পাৰে ঠগ।

বাণীৰ কাৰণে মাথোঁ আছে অত্তদিন ;
বিষয়া লগতে নতু মন্ত্ৰীৰ সলনি
কৰিলোঁহেঁতেন আমি।

৩য়, ন-বিঃ।—ৰাণীৰ কাৰণে!

২য়, ন-বিঃ।—কিনো কয় মহাৰাজে!

১ম, ন-বিঃ।—পুৰুষৰ চত্‌তিৰী, ধৰা-বন্ধা ৰীতি।

ৰজাই ৰাণীৰ চত্‌ হোৱা আচৰিত!

(নালীয়াৰ প্ৰৱেশ।)

নালীয়া।—কিনো কৰা হৈছে? বোলোঁ মেলেৰ ভাগে আমাকো আটিব জানো?

১ম, বিঃ।—পাৰ হল ভালেখিনি।

নালীয়া।—বাৰু, ভালেখিনি পাৰ হল বুলিয়েই কোৱাঁচোন। নালাগে “পাৰ হল ভালেখিনি” বুলিব। সেই বাবে যি পা-পৰাচিত লাগে মোৰ গাতে লাগক।

বিষয়াবগ।—(ৰহস্যত হাঁহিবলৈ ধৰে।)

২য়, বিঃ।—এৰা, আমাৰ ৰংদিয়া ককাই থাকিলেহে মেলৰ ৰগৰটো উঠে! নহয় জানো?

৩য়, বিঃ।—নকবাঁ আৰু, এনেজন সৰবৰহী মানুহ পাবলৈকে টান। কোনো এটা কথা পালেই এওঁ যে তাত ৰং নলগাই এৰিব, সি হবই নোৱাৰে!

১ম, বিঃ।—সেই হে তেও মযো জোকাই লৈছোঁ; বোলোঁ তেওঁ আহিছে যেতিয়া এফেৰি 'আনদ' কৰা যাওক।

নালীয়া।—বাৰু, সেইবোৰ থোৱাঁ, মেলখনৰ কথা কোৱাঁচোন। কিনো বিষয়টো আলচ কৰা হৈছিল?

১ম, বিঃ।—কৈছোঁ নহয়, বোলোঁ ভালেখিনি আগ বঢ়া হল। এতিয়া আকৌ উলটি ধৰিলেহে হব।

নালীয়া।—বাৰু, আগ বঢ়া হল, ভাল হল; আৰু উলটিব নালাগে। মই নালীয়াই আৰৰপৰা আটাইবোৰ শুনিহে আছিলোঁ। এৰা, হয়তো, ৰজা হৈ নো বাৰু তিৰীৰ চত্ হব পায় নে?

২য়, বিঃ।—এৰা, আমিও তাকেহে কৈছোঁ।

নালীয়া।—'ৰজা' মানে কি জানানে?

৩য়, বিঃ।—বাৰু, কোৱাঁচোন।

নালীয়া।—ৰজা। অৰ্থাৎ, ৰ আৰু যা। অৰ্থাৎ, ৰ বুলিলে ৰব লাগিব, আৰু যা বুলিলে যাব লাগিব। এনেজনে ৰজাক আনে বোৱাব আৰু যোৱাব লাগিলে আৰু থাকিল কি?

বিঃ সকল।—হয়, হয়, ঠিক্ ঠিক্।

নালীয়া।—পিচে, ৰজা যদি ৰাণীৰ চত্ হল, আৰু মন্ত্ৰীৰ মন্ত্ৰণাৰ তল হল, তেন্তে ৰজাৰ অৰ্থই গুচিল!—নহয় জানো?

নীতি।—সঁচা। ধৰিবলৈ গলে, মনত লাগি যোৱা কথা। উঃ, এওঁ বিচক্ষণীয়া মানুহ দেও, বহুত কথা চুকি পায়গৈ!

২য়, বিঃ।—সঁচা মহাৰাজ, এওঁ বৰ বুধিয়ক পণ্ডিত মানুহ।

৩য়, বিঃ।—মহাৰাজ, এওঁ সভাপণ্ডিত হবৰ যোগ্য।

১ম, বিঃ।—মহাৰাজৰ আজ্ঞা হলেই হয়। আগৰ সভাপণ্ডিতটোও সেই বুঢ়া মন্ত্ৰীটোৰ নিচিনা আওপকীয়া মানুহ, জানিছোঁ।

নীতি।—বাৰু, একো কথা নাই। কাইলৈ আমাৰ আজ্ঞা শুনাই দিবাহঁক; তেওঁক ভাঙ্গি এওঁক সভাপণ্ডিত পতা হল।

বিঃ সকল।—ধন্য ধন্য মহাৰাজ!

নালীয়া।—মহাৰাজে শুনে যদি এটা কথা কব খোঁজো।

নীতি।—কোৱাঁ কি কথা আছে। শুনিম কিয়?

নালীয়া।—নহয়, অকল কাণেৰে শুনিলেই নহব।

নীতি।—বাৰু, কামেৰেই দেখামেচোন। কোৱাঁ কি কথা।

নালীয়া।—বাৰু, কওঁ তেন্তে;—

১ম, বিঃ।—ওঁ, তুমি কই যোৱাঁ, আমিও কাণ দিছোঁ।

নালীয়া।—মহাৰাজ! দিখৌমুখ, জাঁজিমুখ, এইবিলাক বৰ বেপেৰুৱা ঠাই। তাত নাৱেৰে গৈ বেহা-বেপাৰ কৰিলৈ বৰ সুচল।

২য়, বিঃ।—পিচে, পিচে?

নালয়া।—পিচে, মহাৰাজে আদেশ দিলে সৈন্য-সামন্ত লগত লৈ এজন সেনাপতিয়ে তাৰ আলেখ-লেখ বুজি আহিবগৈ পাৰে। সুচল হয় যদি, আমাৰ ফালৰ বস্তুৰ বেচ্ তাত দুগুণ তিনিগুণ কৈ পোৱা যাব নহয়। আন নোলায় যদি, প্ৰথমে ময়ে বাট লগাই দিম। নহলে ৰাজ্যৰ উন্নতি কেনেকৈ হব?

১ম, বিঃ।—ধইন্, ধইন্! পণ্ডিতৰ উপযুক্ত কথা।

নীতি—সঁচা, তেওঁ বুদ্ধিমানৰ চিনাকি দিছে। কিন্তু নোসোধা-নেমেলাকৈ লোকৰ ৰাজ্যলৈ যোৱা উচিত হব জানো?

নালীয়া।—এইটো কথাও সুধিব লাগিছেনে? মহাৰাজ, আমাৰ কিবা ৰণ দিবলৈ যাব নে? এনে কামত সোধাপোছা লগালে লোকে পাতল হে বুলিব।

২য়, বিঃ।—সঁচা মহাৰাজ, সুধিবলৈ গলে পৰ-ৰজাই মহাৰাজক দুৰ্ব্বল হে বুজিব।

নীতি।—বাৰু, তেন্তে একো কথা নাই; তোমালাকে ভাল দেখিছা যদি, যাওক এজন সেনাপতি।

নালীয়া।—এৰা, ৰজাৰ লায়েকৰ হুকুম।

নীতি।—বাৰু, এতিয়া উঠা হওক। ৰাতিকৈ নাচ-গান হব; আহিবাঁক।

বিষয়াবৰ্গ।—ভাল, ভাল। আহিব লাগে।

(সকলোৰে প্ৰস্থান)

---

## চতুৰ্থ গৰ্ভাঙ্ক।

—০:*:০—

মন্ত্ৰীৰ চৰা।

(মন্ত্ৰী আৰু ভগা-বিষয়াবৰ্গ।)

মন্ত্ৰী।— কি দিম উপায়!

নিৰুপায় নিজে মই।

কুক্ষণত ধৰিছিলো মন্ত্ৰীবাব এই;

প্ৰতিফল তাৰ এবে লাগিছোঁ ভুঞ্জিব!

১ম, ভঃ বিঃ।— ভুঞ্জিছোঁ আমিও।

কিন্তু মন্ত্ৰী, আছে কোন, তোমাৰ বাহিৰে

দিয়ে এটি সজ বুদ্ধি বিপদ কালত?

সেইহে চাপিছোঁ কাষ।

মন্ত্ৰী।— চাপিছাহি কাষ;

বুজিছোঁ উদ্দেশ্য তোমাসাৰ। কিন্তু হাঁয়,

দাঁত-ভগা সাপপ্ৰায় আছোঁ পৰি এবে।

শক্তিহীন হলোঁ মই সিদিনাৰে পৰা
বৃদ্ধৰাজ ধৰ্ম্মধ্বজ চলিলে যিদিনা,
অধৰ্ম্ম অনীতি মাজে ইৰাজ্যক এৰি!
নিজঞ্জাল এবে তেওঁ কুণ্ডিল কুণ্ডত;—
আধামৰা আধাজীয়া আছোঁ আমি পৰি
এৰিব নোৱাৰি দেহা!

২য়, ভঃ বিঃ।— মন্ত্ৰীবৰ!
নোহোঁ আমি বিষয় প্ৰত্যাশী।
নোৱাৰোঁ সহিব কিন্তু মৰ্য্যাদাৰ হানি!

মন্ত্ৰী।—বুজিছোঁ সকলো।
নীচ আজি উচ্চ হল, উচ্চ হল নীচ,
বিপৰীত হল সব ৰাজ-ৰাজোৱাৰ।
স্বেচ্ছাচাৰ সাৰ হল এই ৰাজত্বত।
পেলাব নোৱাৰি মাথোঁ পূৰ্ব্ব ৰাজনৰ
শেষ অনুৰোধ-বাণী, আছোঁ মই জানোঁ,
নামমাত্ৰ মন্ত্ৰী হই।

১ম, ভঃ বিঃ।—মত্ত হল ৰজা,
নীচ মন্ত্ৰণাত পৰি!

মন্ত্ৰী।—কি কম অধিক!
নামানে আমাৰ কথা শাসন-কাৰ্য্যত।
সিদিনা পাচিছে এক নৱ সেনাপতি,
সৈন্য-সামন্তেৰ আহোম ৰাজ্যত গই,
বিনা সম্মতিৰে, গুপ্ত স্বাৰ্থ সিদ্ধি হেতু
পশিব ত্বৰিতে। পৰ-ৰাজ্য প্ৰৱেশৰ

নিষেধ সৰ্ব্বত্রে, অনুমতি বিহনে;
নতুবা নিশ্চয় বিপদ ঘটনা হয়,
ৰাজনীতি মতে। বুজালোঁ ৰজাক যত
নমোনিলে কথা। ঘটিব জঞ্জাল এবে!

২য়, ভঃ বিঃ।—কি হব উপায়?

মন্ত্ৰী।—ছাৰখাৰ হব ৰাজ্য!

১ম, ভঃ বিঃ।—লাগিব বিষম ৰণ?

মন্ত্ৰী।—ভুল নাই তাত।
প্ৰতাপী আহোম ৰাজে নেৰিব কাচিৎ
নকৰি উচিত প্ৰতিকাৰ। শুনি আছ
এই ৰাজ্যৰ দুৰ্দ্দশা, ৰাজ-দুৰ্ব্বলতা।
নেৰিব সুযোগ এই।

২য়, ভঃ বিঃ।—হাত নাই আমাসাৰ!
কিমতে বাধিম আগন্তুক বিপদক
আগভেটা মাৰি?

মন্ত্ৰী।—নাই হাত,
যিবা পাৰোঁ, কৰিবোঁ তথাপি।

১ম, ভঃ বিঃ।—দেখোঁ বাৰু,
কি পাৰোঁ কৰিব সময়ত।

২য়, ভঃ বিঃ।—ভাল তেন্তে,
উঠোঁহে এতিয়া।

মন্ত্ৰী।—উঠা হোক।

(সকলোৰে প্ৰস্থান)

—•—

# পঞ্চম গৰ্ভাঙ্ক।

—:০০:—

অন্তঃপুৰ।

( সাধনী আৰু নীতিপাল। )

নীতি।— শুনিছানে,
আতিকই লাগিছে ভাগৰ!
সাধনী।—কিয় প্ৰাণেশ্বৰ!
কিয়নো কাতৰ এনে ?
নীতি।—আমোদে উপচি পৰি
লগালে ভাগৰ। গীত-বাদ্য, নাচ-বাগ,
হইছিল বহু, আমোদ-আহ্লাদ আৰু
প্ৰিয়-ভোজনত দিলোঁ যোগ অতিকই।
তাতেহে লাগিছে এবে এনুৱা ভাগৰ ;
উঠিবৰে যোৱা নাই মন। ইমানতো
বিষয়াসকলে ধৰি ৰাখিবহে খোজে!
ৰসিকতা দেখি মোৰ মুগ্ধ সকলোটি,
—লগকে নেৰায়!
সাধনী।—জানো মই,
আতিকে ৰসিক তুমি নাথ!
কিন্তু জানাঁ, ৰসিকতা নহয় ৰজাৰ
প্ৰথম কৰ্ত্তব্য কাম। আগে ৰাজ-কাজ,
পাচে যত আমোদ-আহ্লাদ। সঙ্গদোষ,

বিলাসিতা কৰাঁ পৰিহাৰ, চোৱাঁ যদি
হবলই খ্যাতনামা নৃপতি-ৰতন।

নীতি।— নোৱাৰি এৰিব দেখোঁ;
বহি গৈছে ৰাপ! নৃপতি-ৰতন নাম
অৱশ্যে বিচাৰোঁ।

সাধনী।— নোৱাৰি এৰিব!
কিবা কোৱাঁ প্ৰাণেশ্বৰ?
অভ্যাসে সকলো পাৰে, মানিবাঁ ধ্ৰুপ।

নীতি।—সঁচা প্ৰিয়া,
অভ্যাসত সম্ভৱ সকলো।
নৰৰ অসাধ্য কাম নাই মৰতত।

সাধনী।— ৰাখোঁ তেন্তে অনুৰোধ।

নীতি।— কিবা ৰখা নাই?

সাধনী।— কতনা কাকুতি কৰি
ধৰিলোঁ তোমাক, অসৎ সঙ্গীৰ লগ
এৰিবৰ হেতু; নাৰাখিলা কথা, আৰু
আত্ম-অঙ্গীকাৰ।

নীতি।— অসৎ বুলিছাঁ কাক?

সাধনী।— নৱ-বিষয়াক।

নীতি।— ৰাজ-বিষয়াক?
নহলে বিষয়া পিচে, চলিব কিমতে
ৰাজকাৰ্য্য আলোচনা? পূৰ্ব্বৰ সঙ্গতি
এৰোঁ বোলা সত্য কথা; কিন্তু সি নহয়
ৰাজকীয় বিষয়ত।

সাধনী।— পূৰ্ব্বত যিমতে
চলিছিল ৰাজকাৰ্য্য,
পুৰণি বিষয়া স'তে পূৰ্ব্বৰাজত্বত,
নচলিব কিয় আজি সেই বিষয়াৰে ?

নীতি।— ভাবিছোঁ নচলে।
পন্থা হল সেই হে নতুন।
ভাবি মোৰ পূৰ্ব্ব হীনদশা, হব পাৰে
অভিমানী পুৰণি বিষয়া ; তাৰ ফলে,
ৰাজকাৰ্য্য হব পাৰে ক্ষতি। সেই অৰ্থে
প্ৰিয়া, মই সলালোঁ বিষয়া, ললোঁ বাছি
সমনীয়া আদি জীৱনৰ। সমনীয়া
বিষয়াই ভাল মোৰ চিন্তিব সদায়।

সাধনী।— পৰিছা ভ্ৰমত।
নিচিনিলা বন্ধু কোন !
পিতৃৰ পৰম মিত্ৰ পুৰণি বিষয়া ;
নোৱাৰে শতুৰু হব এই জীৱনত।
কিন্তু যাক মিত্ৰ ভাবি পাতিছা বিষয়া,
সি সবে চাপিছে কাষ স্বাৰ্থৰ কাৰণে ;
নিছে মাথোঁ পিচুৱই অবাটে তোমাক।
ঘটাব জঞ্জাল জানা, ৰাজ্যৰ অহিত।

নীতি।— নুবুজোঁ কি বেয়া বাটে
নিছে পিচুৱাই নতুন বিষয়াসৱে।
নিচিন্তে অহিত মোৰ নতুন মন্ত্ৰীয়ে ;
নহয় শতুৰু।

সাধনী।— শতুরু নহব পাৰে ;
কিন্তু ঘোৰ স্বাৰ্থপৰ নতুন বিষয়া,
নাই তাত ভুল। স্বাৰ্থৰ কাৰণে মাথোঁ
মিছা গুণ গায়।

নীতি।— কিবা স্বাৰ্থ
বোলা তুমি নুবুজিলোঁ মই।
নিচিন্তে আপোন স্বাৰ্থ কোন হেন জন
আছে লিপ্ত সংসাৰত বৈৰাগী নহই ?

সাধনী।—নাই হেন জন।
বোলা নাই স্বাৰ্থ সংসাৰীৰ।
স্বাৰ্থপৰ বোলে তাক যি জনে সততে
আপোন উদ্দেশ্য সাধে পৰক ডুবাই।
তদ্ৰূপ জানিবাঁ সেই নৱ বিষয়াক ;
তুষ্ট কৰি মন তৱ মিছা গুণ গাই
আপোন উদ্দেশ্য সিদ্ধি কৰিবৰ গুণে
ৰাজ্যৰ অহিত কত লাগিছে সাধিব !
বাঢ়িছে নিতকে তৱ কুযশ ৰটনা।

নীতি।— কুযশ-ৰটনা হেতু
নডৰাওঁ মই। বিহিম কঠোৰ দণ্ড
নিন্দুক জনক, পৰিব যেতিয়া ধৰা।
ৰজা হলে যশ নিন্দা উভয়ৰে ভাগী।

সাধনী।— নকৰঁা সি কথা।
নিন্দুক-পীড়ন জানা নোহে নীতিবল ;
মিত্ৰভাৱে কৰা বিধি শত্ৰুক দমন।

নীতি।—সাংসাৰিক পক্ষে ইটো
নহয় সম্ভৱ। শত্রুৱে আদৰ পালে
শত্রু বাঢ়ি যায়; সংসাৰত সাক্ষী তাৰ
আছে অগণন।

সাধনী।—সাধু, শন্ত, জ্ঞানীজনে
সততে শত্রুক দমে সদাচাৰ সতে;
দেখিছোঁ বিস্তৰ।

নীতি।—অজ্ঞান, অসাধু মই?
নকৰা অধিক! কৰিম আপুনি মই
যিবা দেখোঁ ভাল।

(উচাৎ মাৰি গুচি যায়।)

সাধনী'-হিতে বিপৰীত
বোলে লোকে ইয়াকেই!
কালৰ কুটীলা গতি পোনাবৰ গুণে,
কত চিন্তা কত যত্ন হইছে বিফল!

———

## তৃতীয় অঙ্কপাত।

——o——

# চতুৰ্থ অঙ্ক।

——**০**——

## প্ৰথম গৰ্ভাঙ্ক।

——* *——

### দিখৌমুখ।

( সসৈন্যে ছুটীয়া সেনাপতি। )

ছুঃ সেনাপতি।—পৰৰ ৰাজ্যত আমি
সোমালোঁহি আজি ; বিনা সন্মতিৰে ;
ঘটিব জঞ্জাল বহু জানিবাঁ নিশ্চয় !
আজ্ঞাধীন ভৃত্য জানা, আমি সকলোটি,
আহিছোঁ আদেশমতে আপোন ৰজাৰ ;
শৰীৰ পতন কিম্বা উদ্দেশ্য সাধন,
এই পণ ৰাখিবাঁ মনত ! নহটিবাঁ
কেৰেঁ কতো, ঘটে যদি বিপৰ্য্যয়। বোলা
সবে- মহাৰাজৰ জয় !

ছুঃ সৈন্য।—জয় মহাৰাজৰ জয় !

( সসৈন্যে কনচেং ডাঙৰীয়াৰ প্ৰৱেশ। )

কনচেং।—কোনে কাৰ জয়ধ্বনি
কৰে অকস্মাৎ ! "জয় মহাৰাজৰ জয়"
বিজাতীয় স্বৰ, বাজিছে কাণত আহি !

দেখোঁ বারু কোন, আহিছে ফৰিং উৰি
অগ্নি-কুণ্ডলই ! - বোলঁা সৱে উচ্চৰৱে
"স্বৰ্গদেৱৰ জয়" !

আহোম সৈন্য।—জয় স্বৰ্গদেৱৰ জয় !

কনচেং।—ইকি !
সঁচাকৈয়ে দেখোঁ পৰে আহি উৰি,
উন্মত্ত পতঙ্গদল কোনোবা ৰাজ্যৰ !
যি বীৰ্য্য-প্ৰতাপ-তাপ সহিব নোৱাৰি,
অসম ভূপতি সৱে মানিছে শৰণ ;
অসীম ক্ষমতাধাৰী কমতা-ঈশ্বৰ,
কৰতল হল আজি যাৰ প্ৰভাৱত ;
অদম্য কছাৰি ৰাজ হই প্ৰদমিত,
পদানত হয় আজি যাৰ ; যাৰ নামে
জ্বলে আজি অসমৰ নাম ; সেই তেজ,
সেই বীৰ্য্য, সেই জ্যোতি ৰাজ-গৌৰৱৰ
ভুলি,—নতু অৱহেলি,—আহে কোন উৰি
জীৱন জঁাপিব হেতু জলন্ত কুণ্ডত !
অথবা, নোহে সি সামান্য নৰ, নহয়
উন্মাদ ; বীৰবাহু জানোবা সিজন।
হোক সেয়ে ; হয় যদি সত্য সেয়ে হাঁয়,
জুৰাম জীৱন মোৰ হেঁপাহ গুচাই,
প্ৰকৃত বীৰক আজি বীৰত্ব দেখাই !
কছাৰি ৰণত তৃপ্তি নপলালে মোৰ,
নাপালোঁ যুঁজত কোনো সমনীয়া বীৰ ;—

সন্ধি-সূত্রে বদ্ধ হল কমতাৰ পতি,
নহল সমুখ কোনো কোচ সেনাপতি।
গৌৰেশ্বৰে দৰ্প কৰি পঠিয়ালে যিবা
সাহসী সৈনিকদল, প্ৰবল প্ৰতাপে,
—নবাব স্বয়ং যাৰ বীৰ সেনাপতি,—
সিও হাঁয় আঁতৰিল নিলগৰেপৰা,
সবংশে নিধন কৰি নীলধ্বজ ৰাজ;
নাহিল উজাই এৰি কমতাৰ সীমা!
যিবা হোক, সোধোঁ এও কোন ৰণবীৰ;
কিবা জানি এবেঁ মোৰ পূৰায় কামনা।
(ছুটীয়া সেনাপতিৰ প্ৰতি)
কোন তুমি?

কিবা সাহে প্ৰবেশা ইঠাই?
কোনে দিলে অনুমতি সসৈন্যে তোমাক
পৰৰাজ্য প্ৰবেশৰ হেতু? কিবা আছে
চিন্ সন্মতিৰ? নাই যদি অনুমতি,
সমুচিত শাস্তি তাৰ পাবা হাতে-হাতে।

ছুঃ সেনাপতি।—নাই অনুমতি।
নাই তাৰ প্ৰয়োজন।
আদেশিত সেনাপতি ছুটীয়া ৰাজৰ,
আপোন উদ্দেশ্য লই আহিছোঁ ইঠাই।
নেদেখাবা বিভীষিকা নডৰোঁ কথাত।

কনচেং।—আচৰিত!
কৰ এনে অসভ্য বৰ্ব্বৰ!

নাধাৰে সি ৰাজনীতি, বোলে সেনাপতি!
কোন তেওঁ অসভ্য ভূপতি,—অযাচিতে
পাচে সেনা বিনা সন্মতিৰে! বাকী নাই
বুজিবৰ, ৰীতি-নীতি-হীন সেই দেশ।

ছুঃ সেনাপতি।—কিবা কোৱা!
ৰাজনিন্দা সমুখত মোৰ!
কাপুৰুষ তুমি! নতুবা ৰজাৰ নিন্দা,
সেনাপতি হই, কি সতে কৰিছা তুমি?
বিতণ্ডাৰ কাজ নাই, আহাঁ আগ বাঢ়ি,
লোৱাঁহি চিনাকি মোৰ ৰাজ-মহিমাৰ।

কনচেং।—নির্ভীক হৃদয়!
শতুৰু যদ্যপি তুমি,
শলাগোঁ বিস্তৰ তৱ এনে পুৰুষালি।
ধন্য সেই ৰণ-ৰত্ন, ধন্য তাৰ তেজ,
ধন্য তাৰ জন্ম-মৃত্যু, ধন্য আত্মত্যাগ,
কর্ত্তব্যত মজি যেয়ে, পাহৰি আপোন,
ৰাজ্যৰ গৌৰৱ হেতু ৰাজাজ্ঞা-পালন,
জীৱনৰ উচ্চ ব্রত পালে প্রাণপণে।
সঁচাকৈয়ে হাঁয়, স্বদেশ, বিদেশ আৰু
আপদ-সঙ্কট-বোধ নাথাকে মনত,
নকৰে ভ্রুক্ষেপ আৰু প্রাণ-ভয়লই
কর্ত্তব্যত উন্মত্ত হয় যেৱে প্রাণ!
ধন্য তৱ ৰাজভক্তি, ধন্য সেই ভূমি,
ভাগ্যত যি হয় এনে বীৰপ্রসৱিনী।

সাৰ্থক মানিম মযো মোৰ বাহুবল,
যুঁজি আজি তোমাহেন বীৰকেশৰীৰে।
আহাঁ চাপি, সাজু হোৱাঁ, ধৰাঁ তৰোৱাল,
সম্মুখ সংগ্ৰাম পাতোঁ আহাঁ ৰণবীৰ!
( দুইৰো যুদ্ধ ; ছুটীয়া সেনাপতি নিৰস্ত্ৰ আৰু পৰাস্ত। )

কনচেং।—লভিলোঁ এফেৰি তৃপ্তি
যুঁজি এই বীৰবাহু সতে। ধন্য তুমি,
ধন্য তৱ পৰাক্ৰম! যুঁজিলোঁ বিস্তৰ,
কোচ, থেন, কছাৰিৰ সেনাপতি সতে,
পৰা নাই ঠাৱাৰিব কেৱে অতপৰ
সম্মুখ সংগ্ৰাম পাতি মোৰ সমীপত।
স্বৰ্ণ, ৰত্ন, কামপীঠ দিক্-বিজয়ত
পোৱা নাই লগ এনে নৰোঁতা এজন,
পোৱা নাই তৃপ্তি মোৰ সমৰ-তৃষ্ণাই ;
পূৰালে আজিহে সাধ ছুটীয়া ৰজাই
পঠিয়াই ৰণবেশে নিজ উদ্দেশ্যত
এনে সেনাপতি। ( আহোম সেনাৰ প্ৰতি )
বন্দী কৰ সেনাপতি
যথা সম্মানেৰে।

আঃ সেনা।—ভাল, দেউতা-ঈশ্বৰ। ( বন্দী কৰে )

কনচেং।—লই বল বন্দী এবে
যথা স্থানলই। বিপক্ষৰ সেনাদল
যাব পাৰে নিৰাপদে স্বদেশৰ মুখে,
বাৰ্ত্তা দিবলই। (প্ৰস্থান।)

—০—

## দ্বিতীয় গৰ্ভাঙ্ক।

—✱✱∷ ∘∴✱✱—

### কুণ্ডিল-কুণ্ড।

( তাপস-তাপসীবেশী ধৰ্ম্মধ্বজ আৰু লীলাৱতী। )

ধৰ্ম্ম।—অকস্মাৎ ধ্যানভঙ্গ!

লীলা।—কিয় প্ৰাণেশ্বৰ?

ধৰ্ম্ম।—নুবুজোঁ কাৰণ ভাল।

অকস্মাৎ মনপ্ৰাণ কঁপি উঠি ঘনে
ভাঙ্গিলে গভীৰ সৃষ্টি-ধ্যান। আঁকিছিলোঁ
একমনে, একধ্যানে, তন্ময় প্ৰাণেৰে,
সুন্দৰ সৃষ্টিৰ ছবি হৃদয়-ফলিত!
ক্ষুদ্ৰ বালিচাঁহীপৰা গজহস্তীলই
কত যে পৰাণী হাঁয়, প্ৰাণী-জগতত,
নাচি-খেলি হেলাৰঙ্গে আহে আৰু যায়;—
পাপৰ বোকাত কত পৰে আৰু উঠে!
হঁহা-কন্দা সংসাৰৰ দৈনিক আখৰা
চলিছে কতনা হাঁয় যুগ-যুগান্তৰ!
বিচিত্ৰ সংসাৰ-চিত্ৰ আকোঁতে-আকোঁতে,
অঁকা গল অতৰ্কিতে আপোন সংসাৰ;—
পুৰণি কালত সেই পিতৃপুৰুষৰ
প্ৰতিষ্ঠিত পৰিয়াল নিছিগা ধাৰেৰে,
হিয়াত চিত্ৰিত হল পুণ্য ৰহণেৰে!
হিয়া মোৰ নাচি উঠে পৰিলে মনত

পূৰ্ণ তেজে জ্বলি উঠা বংশৰ ছবিটি,
যশস্যাৰ সৌৰভ বিলাই ! আৰু সেই
সংসাৰৰ বিকাশ-বিস্তৃতি আগে-পিচে
পূৰ্ব্বপুৰুষৰ, দেখিলে জুৰায় প্ৰাণ !
কিন্তু হাঁয় সামৰণ ! নাযায় কথন !
কান্দি উঠে প্ৰাণ !

লীলা।—কোৰাঁ প্ৰাণেশ্বৰ,
কোৰাঁ ভাঙ্গি ততালিকে
কিবা দৃশ্য অকথন দেখিলা ধ্যানত ?
কঁপি উঠে মাতৃহিয়া কিবা আশঙ্কাত,
স্মৰি মোৰ পুত্ৰ-কন্যা সাধক-সাধনী !

ধৰ্ম্ম।—কিনো কম ভাঙ্গি !
আপুনি পাইছাঁ ঢুকি,
কি যে দৃশ্য আঁকি মই হইছোঁ ব্যথিত।

লীলা।—কিবা দৃশ্য ?
কোৰাঁ ভাঙ্গি, নকৰাঁ পলম।
দেখোঁ যেন অকালত শতুৰু-ৰাহুৱে
গ্ৰাসিছে গৌৰৱ-সূৰ্য্য ছুটীয়াকাশৰ ;
গ্ৰাসে আৰু চন্দ্ৰ-তৰা নাম যশস্যাৰ,
পলায় পপীয়া তৰা বিস্বাশদ্ধে উৰি ;
ৰসাতলে যায়-যায় ছুটীয়া-ভূবন !
ৰক্ষা কৰাঁ, কোৰাঁ ক'ত সাধক-সাধনী।

ধৰ্ম্ম।—অসহন সামৰণ
সেই সংসাৰৰ ! ছুটীয়াৰ বংশাৱলী

অন্ত হব সাধনী সইতে। অচিৰতে
ৰাজলক্ষ্মী জঁাপিবহি এই কুণ্ডোপৰি।
অনীতিত পোত গল পুণ্য ৰাজনীতি ;
অধৰ্ম্মৰ পৰাক্ৰম ধৰ্ম্মৰাজ্য জুৰি,
হল অতিপাত। পুণ্য ৰাজ্য ৰসাতলে
আজি যায়, কালি যায়! আছে মাথো ৰই,
—আছে দিন দুই,—সাধনী কাৰণে আৰু
বৃদ্ধ মন্ত্ৰী গুণে!

লীলা।—ইয়াকে 'কৰিলে ভাল
ঈশ্বৰে' আমাৰ!

ধৰ্ম্ম।—নকৰা আক্ষেপ।
ঈশ্বৰৰ অভিপ্ৰায় কি বুজিম আমি!
কৰিছে ইয়াকে ভাল আমাৰ কাৰণে,
মানিবা ধুৰুপ তুমি। নহলে নিশ্চয়
সাধনীত সামৰণ ছুটীয়া বংশৰ
নপৰি বাঢ়িল হয় বঢ়াবৰ গুণে
পাপ-তাপ অপযশ কলঙ্ক কুলৰ।
আৰু স্থিৰ, ভাবি চাবা, সমানে নাযায়
কাৰো কতো চিৰকাল ; উঠিলে এবাৰ
নিশ্চয় পৰিব লাগে। চলিছে অনন্ত
সৃষ্টি ৰীতি এই!

(মৌন)

অহ, দুৰ্ব্বল চিন্তাত
গালোঁ উটি বহুদূৰ!

অপত্য স্নেহৰ ভাবে নিলে ভটীয়াই
বহুদূৰ, বহুদূৰ, মন ওভতাই!
কাল নাই ভাবিবৰ পূৰ্ব্বৰ কাহিনী।
আছা প্ৰিয়া, অৰ্দ্ধাঙ্গিনী, সহধৰমিনী
জীৱনে মৰণে মোৰ ধ্যান-সহচৰী ;
এয়ে এবে সম্পূৰ্ণ সংসাৰ। নাই আৰু
জীৱনৰ সুখ-দুখ, বিষয়-বাসনা
সকলো পৰিল জঁয় সাগৰণমুখে ;
হব তাৰ মুক্তি এবে, নাই বহুদিন।
জৰা-মৃত্যু অতিক্ৰমি, লভোঁ কিনোমতে
অনন্ত আত্মাৰ সতে আত্মাৰ মিলন,—
সেই চিন্তা, সেই ধ্যান, সেই লক্ষ্য ধৰি,
অন্তিম কালতে প্ৰিয়া, তৰোঁ আহাঁ আমি।
আহাঁ যাওঁ, বহোঁগই সিপাৰে ধ্যানত। (প্ৰস্থান।)

—০—

# তৃতীয় গৰ্ভাঙ্ক।

## আহোম ৰাজ-চৰা।

(চুহুম্মুং স্বৰ্গদেৱ আৰু কনচেং বৰপাত্ৰ ডাঙ্গৰীয়া।)

কনচেং।—নাজানে কি ৰাজনীতি
ছুটীয়া ৰজাই? অনধিকাৰ চৰ্চ্চাৰ
এক অপৰাধ নহওঁতে সুবিচাৰ,

ঘুৰি অপৰাধ লগালে সিদিনা, ঘুৰি
গাওঁ-ভূঁই লুটি!

চুহুম্মুং।—থাকিলে কি কাণ্ডজ্ঞান,
হয় এনে গতি! ছুটীয়াৰ ৰাজ্য এবে
ৰসাতল-প্ৰায়:—নাই নীতি, নাই ধৰ্ম্ম,
বাচ-সুবিচাৰ; পাহৰিলে ৰাজনীতি
ছুটীয়া ৰজাই।

কনচেং।—শুনিছোঁ বিস্তৰ
ৰাজ্যৰ দুৰ্গতি কথা;
নীতিপাল অনীতিৰ পূৰ্ণ অৱতাৰ।
নাশিছে যশস্যাৰাশি পূৰ্ব্ব-ৰাজনৰ,
ধৰ্ম্মাধৰ্ম্ম পাপ-পুণ্য নকৰে বিচাৰ;
বিষয়াক ভাঙ্গি-পাতি লণ্ড-ভণ্ড কৰি,
পীড়িছে প্ৰজাক নিতে ন-ন ৰূপ ধৰি,
বিলাস বাসনা হাঁয় পূৰাবৰ গুণে!
এতেকতে স্বৰ্গদেৱ, উচিত আমাৰ,
উদ্ধাৰোঁ পতিত ৰাজ্য ঘোৰ সমস্যাত।
মিলিছে সুযোগ তাৰ, এই সময়ত;
আজ্ঞা মাথোঁ লাগে মোক, যাম এতিক্ষণে।
আক্ৰমি বিক্ৰমে গই ছুটীয়া ৰজাক,
গুচাই অপায় যত অধৰ্ম্মাচাৰৰ,
শান্তিৰ ৰাজত্ব পুনু কৰিম স্থাপন।
নতুবা, ৰজাক ভাঙ্গি ছুটীয়া ৰাজ্যত
আহোম শাসন-নীতি কৰিম প্ৰচাৰ।

পলমে বিঘিনি মাতে ইসৱ কাৰ্য্যত,
যাব পাৰোঁ ততালিকে অনুমতি পালে।

চুহ্‌ম্মুং।—বীৰোচিত বাণী!
ৰাজনীতি পৰা নাই এৰা।
কিন্তু ডাঙ্গৰীয়া, ইচ্ছা মোৰ, পাঁচো অন্য
বীৰ সেনাপতি;—প্ৰথমতে ঘাইবল
কিয় যাবাঁ তুমি? ঘাটে যদি অন্য বীৰ
জনে-জনে গই, পাচিম তোমাক পাচে।

কনচেং।—স্বৰ্গদেৱ,
পালোঁ প্ৰাণে বিষম আঘাত!
থাকোঁতে ই কনচেং সেনাধ্যক্ষ হই
আহোমৰ ৰণবলে পৰাভৱ মানি
আনিব কলঙ্ক? পাৰোঁ যদি একেবাৰে
জিনিব শত্ৰুক, কিয় পাচোঁ বাৰে বাৰে
অন্য সেনাপতি, পাঙ্গি লই পয়াজয়?
বাঞ্ছা মোৰ, জীৱনত নেদেখোঁ বিমুখ
সমুখ ৰণত গই নিজ ৰণ-বল।
আৰু এক অনুৰোধ;—চিৰকাল যেন
অনুমতি পাই থাকোঁ এনে সুযোগত,
ৰণত বীৰেন্দ্ৰ নাম লভিবৰ গুণে।

চুহ্‌ম্মুং।—ডাঙ্গৰীয়া,
জানো আমি বিক্ৰম তোমাৰ।
সত্তৰ সকলো তোমালই। যোৱাঁ তেন্তে,
কৰাঁগই যথাবিধি যুদ্ধ-আয়োজন।

কিন্তু, এটি উপদেশ ৰাখিবাঁ মনত,—
ৰাখিবাঁ গোপনে অতি। নিতান্ত যদিহে,
কৰা হয় আক্ৰমণ ছুটীয়া ৰজাক,
হব লাগে লাভ আমাসাৰ; হব লাগে
ৰাজ্য লাভ নিতান্ত আমাৰ; হব লাগে
আৰু লাভ সাধনী-ৰতন। সেই অৰ্থে,
পাৰ্য্যমানে সন্ধি নকৰিবাঁ। বিনা-ৰণে
কৰে যদি সমৰ্পণ ৰাজ্য-ধন-জন,
নাৰাখিবাঁ হেতু তাত, মিত্ৰ ৰাজনৰ।
অথবা, বিষম দাবী কৰিবাঁ ঘোষণা;—
সাধনী ৰাণীৰ স'তে 'কুবেৰ সম্পত্তি',
লাগিব স'পিব, লাগে যদি অধিকাৰ
কৰদ ৰাজ্যৰ।—এয়ে সাৰ উপদেশ।

কনচেং।—আহোঁ, স্বৰ্গদেৱ,
শিৰোধাৰ্য্য উপদেশ।

(প্ৰস্থান।)

চুহুংমুং।—যাও, আৰু
কৰোঁগই যুগুতি বিশেষ,
অন্য মন্ত্ৰী, সেনাপতি বিষয়াৰে সতে।

(প্ৰস্থান)

—০—

## চতুৰ্থ গৰ্ভাঙ্ক।

——*——

ছুটীয়া ৰজাৰ মন্ত্ৰণা-ঘৰ।

( সাধনী, নীতিপাল আৰু মন্ত্ৰী। )

নীতি।—নিৰুপায় হলোঁ এবে,
নাই পৰিত্ৰাণ! নুশুনি ৰাণীৰ কথা,
মন্ত্ৰী-উপদেশ, অসৎ সঙ্গত হাঁয়,
মজিলোঁ সমূলি! হাতে-হাতে প্ৰতিফল
ফলিছে এতিয়া!

সাধনী।—নহবাঁ অধীৰ!
বিপদত ধৈৰ্য্য ধৰা পুৰুষৰ ৰীতি;
অধৈৰ্য্যে বঢ়াই যত আপদ-জঞ্জাল,
উদ্ধাৰৰ গতিৰোধ কৰে সি সমূলি।
নাই আৰু এটি ক্ষণ অনুতাপলই;
ফল নাই আক্ষেপত। আসন্ন কালত
এবে লোৱাঁ মন্ত্ৰী-উপদেশ, হব পাৰে
অপায়-বিঘিনি নাশ।

মন্ত্ৰী।— কি আছে উপায়!
জুৰুলা ই ৰাজ্য এবে।
ৰণবল, অৰ্থবল আৰু নীতিবল
অকালত ক্ষয় হল; প্ৰজা বিশৃঙ্খল:
বাধিবাঁ কিৰূপে দুৰ্জ্জয় আহোম-সেনা?

তাতে জানোঁ, কনচেং নিজে সেনাপতি ;
যাৰ নামে কম্পমান দিল্লী-সিংহাসন।

সাধনী।—শুনা আছে
কনচেং বীৰৰ কাহিনী।
নাই এনে বীৰ আজি ছুটীয়া ৰাজ্যত
ক্ষন্তেক ঠাৱৰে সেই বীৰৰ আগত ;
নাই আজি সেনাপতি পূৰ্ব্ব ৰাজত্বৰ ;
সি হেতু উচিত নোহে যুদ্ধ আয়োজন,
অনৰ্থক ৰক্তপাত নাই প্ৰয়োজন।
দিয়া যুক্তি মন্ত্ৰীবৰ, কিৰূপে এৰাই
এই আসন্ন বিপদ ৰক্ষা পৰোঁ সৱে।

নীতি।—ৰক্ষা পৰোঁ যাতে
কৰোঁ মাথোঁ যুক্তি তাৰ।

মন্ত্ৰী।—সন্ধিৰ প্ৰস্তাৱ বিনা
নেদেখোঁ উপায়।

সাধনী।—মোৰো সেয়ে মত।
কিন্তু মন্ত্ৰি, গুচে যদি সন্ধিৰ প্ৰস্তাৱ
অযথা দাবীৰ হেতু, কি হব উপায়
আসন্ন-বিপদ-বেলা ?

মন্ত্ৰী।—সম্ভৱ সকলো।
অযথা দাবীৰ কথা নোহে অসম্ভৱ।
দীৰ্ঘ-দৃষ্টি ৰাণী তৱ, মনিছা স্বৰূপ !
ৰজা-ৰাণী দুয়ো তেন্তে কৰাগই বাস
বাজ হই নগৰৰ, চন্দনগিৰিত,

আত্মৰক্ষা হেতু। থাকোঁ মই নগৰত।
চাপিলে বিপক্ষদল, সন্ধিৰ প্ৰস্তাৱ
কৰিম যি দেখোঁ ভাল।

সাধনী :—সাৰগৰ্ত্ত কথা।
যোৱাঁ মন্ত্ৰি, কৰাঁগই যথা আয়োজন,
যাত্ৰা কৰা হয় যাতে আজি-কালিতেই।
দেখিছোঁ চন্দনগিৰি; অতি ৰম্যস্থল;
মুনি-মন-মোহা দৃশ্য পৰিছে মনত
তাহানিতে দেখা সেই কুণ্ডিল-কুণ্ডৰ
পিতৃ-মাতৃ সেৱা হেতু যাওঁতে এবাৰ।
আহা, কিনো বিতোপন শোভে গিৰিবৰ,
আকাশী শিৰত হাঁয়. পিন্ধি মেঘমালা,
মলয়াত ঢউ মেলা চুলিটাৰ যাৰ!
মূলত কুণ্ডিল কুণ্ড অতি সুগভীৰ,
পৱিত্ৰ জলেৰে পূৰ, অতি নিৰমল।
উপচি প্ৰেমৰ ৰাগ কুণ্ড-গৰ্ত্তৰপৰা
পৱিত্ৰ কুণ্ডিল-পানী ধীৰে বই যায়,
চন্দনগিৰিৰ পদ ভক্তিৰে ধুৱাই!
পাহৰোঁ বিপদ আজি সুমৰি সি ঠাঁই;
— আপোন পাহৰি যাওঁ!

নীতি।—জানো ময়ো,
সেই ঠাই যোগ্য আশ্ৰমৰ।

মন্ত্ৰী।— আহোঁ তেন্তে,
কৰোঁগই যথা আয়োজন। (মন্ত্ৰীৰ প্ৰস্থান)

সাধনী।—অহ,

পৰিছে মনত, আত্মাৰ ছঁয়াটি
দেখা সেই কুণ্ডৰ গৰ্ভত; কোনে জানো
হিয়া মেলি, মিলি হিয়া স'তে, নিসে, মোক
পমোৱাই পুণ্যপুৰলই;—শান্তি য'ত
বিৰাজে সদায়! সেই পুণ্য আশ্ৰমত
বাস যদি হয় হাঁয় চিৰকাললই,
নাভাবোঁ ভাবনা আৰু পাপ-সংসাৰৰ;
সাহেৰে মাতিব পাৰোঁ আসন্ন বিপদ।

নীতি।—নকৰিবা খেদ,

ফলিছে দুৰ্ভাগ্য-ফল!
বলা যাওঁ; ইয়াতেই হল বহুপৰ।

সাধনী।—নোহে খেদ।

খেদ মোৰ কি বুজিবা হাঁয়!

(প্ৰস্থান)

—০—

জিৱণি-পট ক্ষেপন।

—(০)—

# পঞ্চম অঙ্ক।

## প্ৰথম গৰ্ভাঙ্ক।

—:*:—

### চন্দনগিৰি।

সাধনী।—স্বৰ্গৰ জখলা
এই পুণ্য গিৰিবৰ,
নিৰ্ম্মিলে কি সুকৌশলে বিশ্ব-খনিকৰে !
সৌন্দৰ্য্যৰ ৰূপৰাশি, কৰুণাৰ প্ৰভা,
প্ৰেমৰ পৱিত্ৰ ৰাগ, সম্ভোগৰ সুখ,
আৰু এক আবেগৰ পুণ্য আকৰ্ষণ,
সকলো সমানে সানি স্ৰজিলে মৰ্ত্ত্যত,
পঞ্চামৃত লাৰু যেন অৰণ্য-মন্দিৰ !
চন্দনগিৰিৰ নাম অগৰু চন্দনে
ৰাখিছে উজ্জ্বল কৰি এই পৃথিবীত ;
আৰু তাৰ অনুপম ৰূপ মনোহৰ
বখানিছে চিৰকাল দেৱতা-কিন্নৰে ;
যোগী, ঋষি, মুনি আৰু তাপস কুমাৰ,
বিমোহিত নৰলোক ৰূপ-লীলা চাই !

ইয়াৰে সৌন্দৰ্য্য-সোঁত বই-বই গই,
ভৈয়ামত প্ৰতিভাত হয় মাজে মাজে।
যি ফালে ঘূৰাওঁ চকু, তাতে ৰই যায়,
নপলায় তৃপ্তি হাঁয়, হেঁপাহ হিয়াৰ,—
চাওঁমানে বাঢ়ি যায়, পাহৰোঁ সংসাৰ!
পৱিত্ৰ কুণ্ডৰ নীৰ, অতি নিৰমল,
প্ৰকৃতি-দাপোন যেন পতা আছে কেনে!
বাহিৰৰ সৌন্দৰ্য্যৰ প্ৰতিবিম্বে তাত
হাঁহিছে নাচিছে হাঁয়, আপোনাকে চাই!
নাচে যেন হিয়া মোৰো তাৰ চেৱে চেৱে,
বসুধা-বুকুত প্ৰাণ ক্ষন্তেক জুৰাই!

* * *

ইয়াতে এদিন হাঁয় দময়ন্তী সতী
উঠিছলি আহি আহি বাট হেৰুৱাই,
চিন্ তাৰ এতিয়াও মাৰ যোৱা নাই;—
শিল বন, গছ-লতা আটাইটি মিলি
সাক্ষী দিয়ে বিশেষণে সবিশেষ কই!
কুণ্ডিলৰ গুৰি এয়ে, বিদৰ্ভা চৌৱাই
পৱিত্ৰ কৰিছে যি; সিও সাক্ষী দিয়ে,
মহাসতী দময়ন্তী কেনেকই আহি
উত্তৰিল কুণ্ডৰ তীৰত, ভ্ৰমি বহু
গিৰি-গুহা, দেশ-বন, পতি হেৰুৱাই;—
ইয়েহে লগালে বাট পিতৃ-ৰাজ্যলই।

আৰু, হাঁয়, কৃষ্ণদেৱে ৰুক্মিনী দেৱীক
উদ্ধাৰি এদিন ইয়াতেই থিত লয়
যাওঁতে উলটি। ইয়াতে জিলিকে আজি
সমাধি মন্দিৰ সউ, ভীষ্মক ৰজাৰ,
মিলিলে পঞ্চত্ব যত মহা ৰাজর্ষিৰ।
(অহ!)
ভাগ্যে মোৰ পাওঁ যদি ইয়াতেই লয়,
কিযে সুখ অনুভৱ হব সেই বেলা,
সাধি এই মৰতত স্বৰগ সাধনা!
মানিছোঁ এতিয়া ধ্রুব,—নাই ভ্রান্তিলেশ,—
চক্ৰৱত ঘূৰে সদা ভাগ্য-ফলাফল।
(হাঁয়!)
পৰিছে মনত এবে মাতৃ দেৱীলই,
ধৰ্ম্মৰ জীৱন্ত মূৰ্ত্তি পিতৃদেৱ আৰু;
দুয়োৰে অটল মতি একে বিশ্বাসত
"ঈশ্বৰে যি কৰে ভাল মানুহ কাৰণে।"
সেই বিশ্বাসৰ ফল প্ৰতিভাত হোৱা
এই জীৱনত মোৰ দেখিবৰ গুণে,
ললেহি নীৰৱে ঠাঁই কুণ্ডৰ পাৰত,—
সমাধি শোভিছে সউ পুণ্য পোহৰত!
(আহা!)
প্ৰাণেশ্বৰ মোৰ! প্ৰাণৰ পুতলি গঢ়ি
যতনে যাক ৰাখিছোঁ হিয়াত তুলি,
সেই প্ৰাণধন আছেমানে বৰ্ত্তমান,
কি আছে অভাৱ মোৰ এই পৃথিবীত!

নাথ মোৰ পথশ্ৰান্ত আজি। ভাগৰত ( দেহি ! )
হইছে কাতৰ জানো ! নাধাৰে সমূলি,
নাজানে কি শোক-তাপ, সন্তাপ-ভাগৰ,
চিন্তাৰ বিকাৰ আৰু বেঁকা সংসাৰ ;
পৰিছে মলিন দেহি, সৰল মুখানি
ৰাজ্য-বিপ্লৱৰ ঢউ সহি অকালত।
যাওঁ হাঁয়, পূজোঁগই যথা শুশ্ৰূষাৰে। ( প্ৰস্থান। )

—০—

## দ্বিতীয় গৰ্ভাঙ্ক।

—০:(*):০—

### চন্দনগিৰিৰ নামনি।

( নীতিপাল অকলে। )

—০:•:০—

নীতি।—বিচিত্ৰ সংসাৰ !
চক্ৰৱত ঘূৰিছে সদায় !
কি আছিলোঁ, কি যে হলোঁ, কিবা হবলই
আছে আৰু আগলই ! সৃষ্টি-স্থিতি-লয়
ৰূপান্তৰ মাথোঁ, আদি-মাজ-সামৰণ
নৱ জীৱনৰ। ফলিছে সি হাতে-হাতে
এই জীৱনত। দেখি-শুনি লীলা-খেলা

এই সংসাৰৰ, পৰি আৰু শঙ্কটৰ
ঘোৰ বিপাকত, শিকিলোঁ-বুজিলোঁ বহু
সংসাৰৰ পাক-চক্ৰ ভব-ভাৱনাত।
দেখিলোঁ যি ৰীতি-নীতি, সংসাৰৰ গতি,
সাৰশিক্ষা তাৰপৰা লভিলোঁ ইয়াকে ;—
মনোবৃত্তি মানৱৰ ৰব লাগে স্থিৰ,
যেতিয়া যি অৱস্থাত ; নতুবা পতন
তাৰ ধ্ৰুৱ-সত্য কথা। আৰু যি বুজিলোঁ
দেখি-শুনি মানুহৰ চৰিত্ৰ-আখ্যান,
তাৰপৰা হল মোৰ এই স্থিৰ-জ্ঞান ;—
আছে যদি কিবা, সাধ্যাতীত পৃথিবীত,
এক সি,—মানুহ চিনা এই সংসাৰত।
সঙ্গদোষ জীৱনত আৰু এক শনি ;
চৰিত্ৰৰ ছিদ্ৰে জুমি মানৱ অন্তৰ,
হৰে তাৰ সাৰবস্তু চোৰ-প্ৰকৃতিৰে ;
জীৱন্তে মৰণ মাতি ঘটায় জঞ্জাল !
দেখি যেন পৰিণাম, এই জীৱনৰ
আগলই সংসাৰীৰ হয় তত্ত্বজ্ঞান।

( মৌন )

( সসৈন্যে কনচেং, মন্ত্ৰী আৰু নালীয়াৰ প্ৰৱেশ )

মন্ত্ৰী।—মহাৰাজ !

বিনাযুদ্ধে দিলোঁ এৰি বাট ;
উপদেশ যেনে ৰূপে আছিল আমাত।

উপস্থিত সেনাপতি আহোম ৰজাৰ ;
সন্ধিৰ প্ৰস্তাৱ বোলে শুনাব আপুনি।

নীতি।—সত্য কথা।

পালোঁ আমি পৰম সন্তোষ,
ডাঙৰীয়া নিজে আহি হল উপস্থিত।
সন্ধিৰ প্ৰস্তাৱ এবে শুনো যিবা হয়।

কনচেং।—মহাৰাজ !

লব মোৰ সম্মান-সৎকাৰ।
লভিছোঁ পৰম প্ৰীতি সাক্ষাৎ লাভত।
আজ্ঞাবহ ভৃত্য মই আহোম ৰাজৰ,
কনচেং নাম মোৰ, মন্ত্ৰী-সেনাপতি।
আদেশিলে স্বৰ্গদেৱে,—ৰণ-বল লই,
আক্ৰমোঁ ছুটীয়া ৰাজ্য ৰাজ-নীতি মতে।
উপদেশ আৰু মোত,—ৰণজয়ী হই
আহোম ৰাজ্যৰ চামিল কৰোঁ ই ৰাজ্য ;
অথবা কৰদ ভাৱে এৰি আপোনাক,
নিব লাগে উপহাৰ 'কুবেৰ সম্পত্তি'
আৰু সাধনী ৰাণীক। হয় এয়ে দান,
নতু সমিধান।—যিবা হয় অনুমতি।

নীতি।—অযথা প্ৰস্তাব ;—

অসাধ্য গ্ৰহণ কৰা।
"কুবেৰ-দত্ত সম্পত্তি" নহয় ৰজাৰ ;—
ছুটীয়াৰ ভাগ্যলক্ষ্মী সেই পুণ্যধন ;
হস্তান্তৰ-অধিকাৰ পোৱা নাই আমি।

আৰু, ইটো অদ্ভুত প্ৰস্তাৱ !—সাধ্য কাৰ
সাধনীক কৰে হাত বাঁচি আছোঁ মানে ?
কোন্ ৰাজনীতি মতে পাচিলে তোমাক
সুবিজ্ঞ আহোমৰাজে এনে প্ৰস্তাৱেৰে ?
শুনিছোঁ অসম তুমি, বাহুবল লই,
ধৰ্ম্মৰ বলত কিন্তু দেখিছোঁ দুৰ্ব্বল !

মন্ত্ৰী।— ভাবি চোৱাঁ
পুনৰপি, সলোৱাঁ প্ৰস্তাৱ।

কনচেং।—পন্থা নাই
ভাবিবৰ ;—সিদ্ধান্ত প্ৰস্তাব।
আছে দান, নাই সন্নিধান ; এয়ে মোৰ
স্থিৰ সমিচাৰ। কৰাঁ যুক্তি যিবা হয়।

নালীয়া।—ৰক্ষা পৰক মহাৰাজ ! দি দিয়ক যি লাগে। আপোনাৰ দেহাটো হে লাগে ; তেনে ধন-বস্তু-তিৰী কিমান যাব, কিমান আহিব !

নীতি।—কটোৱাল,
বন্দী কৰ এই পাষণ্ডক।
কৰিলে যতেকমানে এই দুৰাচাৰে
নতুন বিষয়া সতে স্বাৰ্থসিদ্ধি হেতু
ষৰশীত দিব লাগে, এই মহাপাপী ;
আৰু দুই ৰাজদ্ৰোহী নতুন বিষয়া।

( কটোৱালে নালীয়াক বন্দী কৰে )

নালীয়া।—ৰক্ষা কৰক মহাৰাজ ! মই নহয়, সি দুজন হে মহাৰাজ !

মই মহাৰাজৰ উপকাৰহে কৰোঁ। মই হে তেও মহাৰাজক ৰজা পতাব গুৰি! মই উপকাৰী, মহাৰাজ, মোক অপকাৰ কৰিব নেপায়। ( কটোৰালে ইঙ্গিত ধৰি বাজ কৰে ) ঔ, নিলে ঔ! মৰিলোঁ ঔ! হে কোনে পাব ৰাখ ঔ!—ঔ, বৰশীত দিবগৈ বোলে ঔ!!

মন্ত্রী।—নলবে প্রস্তাব?

কনচেং।—লবে যদি হিমাচল,
নলবে প্রস্তাব মোৰ, জানিবাঁ ধুৰুপ্।

নীতি।—তদ্রূপ প্রতিজ্ঞা মোৰ;—
যদি কুণ্ডিল উভতি বয়,
সাধনীক সমৰ্পণ সম্ভৱ নহয়।
আৰু সেই কুবেৰৰ প্রদত্ত সম্পত্তি,
নসঁপিম আছোঁমানে, আহোম ৰজাক।
—শেষ সমিধান।

কনচেং।—অত অভিমান!
নসহোঁ ক্ষন্তেক আৰু!
জনা নাই কাৰ সতে পাতাঁ তৰ্কজাল?
সিংহৰ আগত যেনে বাঘ-গোজৰণি!
নসহোঁ ক্ষন্তেক আৰু নকৰোঁ পলম,
এতিক্ষণে যমপুৰি পঠিয়াই সৱে,
—ৰজা, মন্ত্রী, পাৰিষদ, সেনা, সেনাপতি—
হস্তগত কৰি শেষে সাধনী-'সম্পত্তি',
সামৰিম আক্রমণ ছুটীয়া ৰাজ্যৰ!
আহাঁ চাপি, কৰাঁ আহি প্রাণ সমৰ্পণ।

নীতি।—প্ৰতিজ্ঞা পালন,
কিম্বা ৰণত শয়ন।
আহাঁ চাপি, চাওঁ জুথি কিমানৰ বীৰ ;—
বাঘৰ আগত কৰে ছাগে ডেৰা-ডেৰি !

( যুদ্ধ ;—নীতিপালৰ পতন। )

নীতি।—( মূৰ্চ্ছিত অৱস্থাত ) অহ-অঃ !
প্ৰাণবায়ু—কণ্ঠাগত হাঁয় !
অহ, প্ৰাণেশ্বৰী, সতীৰ জীৱন্ত ছবি,
এৰিলোঁ অকলে আজি ভৱ-সংসাৰত।
যাওঁ মই, আহাঁ তুমি, নিত্য বস্তু থই,
অনিত্য সংসাৰ হেতু, সতীৰ চানেকী।
আৰু মোৰ প্ৰজাপুত্ৰ, পাত্ৰ-মন্ত্ৰী সৱ,
সবাৰে জানিবাঁ মোৰ শেষ-সম্ভাষণ।
অহ-অ-হ, বিদা-আ-য়।—

( মৃত্যু ;—শৱ স্থানান্তৰিত। )

কনচেং। আহাঁ চাপি
একে লগে, বাকী আছা কোন ?

মন্ত্ৰী।—ধৰোঁ চাপি,
বধোঁ আজি বীৰ কনচেং।

( যুদ্ধ ;—মন্ত্ৰীৰ পতন আৰু শৱ স্থানান্তৰিত। )

কনচেং।—অস্ত হল শত্ৰুবল।
নহল পূৰণ কিন্তু ৰণতৃষ্ণা মোৰ ;
নকৰিলে যুদ্ধ-আয়োজন ! যিবা হোক,

কাৰ্য্য-সিদ্ধি হল যথাৰতে। যাওঁ এবে,
আনোগই সাধনীক ধৰি, আৰু সেই
"কুবেৰ-সম্পত্তি"।

(বেগেৰে প্ৰস্থান।)

---

# তৃতীয় গৰ্ভাঙ্ক।

—০:*:০—

চন্দনগিৰিৰ টিং।

সাধনী !—(অকলে)।

গীত।

ললিত যোগিয়া—একতালা।

(হাঁয়) ফুল নুফুলিলে, গুটি নধৰিলে
কলিতে লেৰেলি যায় অই !
(হাঁয়) ঢোপা কলিটিয়ে, ফুলোঁ ফুলোঁ ভাৱে,
আশাতে বিনাশ পায় অই !!
এই সংসাৰত কেওঁ ফুলৰ মোলকে নাপায়,
এই সংসাৰত ফুল দিনে আমুৱায় ;
আকাশে হে মাথোঁ ফুল-মোল বুজি,
পিন্ধি নিতে শোভা পায় অই !

আতি খেদ লাগি হইছোঁ বৈৰাগী,
আছোঁ প্ৰাণ ধৰি সংসাৰ নিলগি ;
( এই ) দুধাৰি চকু-লো, মছিলে নৰয়ে,
হৃদি-কুণ্ড জুৰি বয় অই !
( এই ) সংসাৰৰ পৰা উদ্ধাৰি আতমা,
মুক্তি কোনে আজি দিয়ে অই !!

( মৌন )

অন্ত হল, সংসাৰৰ যত লীলা-খেলা !
অন্ত হল ধন-জন, ৰাজ্য-সিংহাসন,
আৰু যত মায়া-মোহ ভৱ-ভাওনাৰ !
অন্ত হল পিতৃ-মাতৃ, প্ৰাণ-পতিধন,
আত্মীয় কুটুম্ব আৰু যত প্ৰিয়জন ;
বৃদ্ধ মন্ত্ৰী, সেনাপতি, গল ৰাজ্যবল ;
আছোঁ মই দেহা ধৰি, আছে এই
'কুবেৰ প্ৰদত্ত ধন'। হব লয় ইও,
পাব লয় ইয়াতেই ক্ষন্তেক পলমে।

( মৌন )

সন্ধিৰ প্ৰস্তাৱ !
—কি যে সাংঘাতিক কথা !
যুক্তিৰ সঞ্চাৰ নাই ; নাই ধৰ্ম্মজ্ঞান ;
প্ৰলাপ সমূলি মাথোঁ বাতুলৰ মুখে !
শুনি হল ৰোমাঞ্চিত সৰ্ব্ব কলেৱৰ।

কোন সতে কোন সাহে কৰেহি প্ৰস্তাৱ,
বোধশক্তি বাজ কৰি, নিলাজৰ মুখে,
সতী সমৰ্পণ কথা ? কিন্তু, সাধ্য কাৰ
স্পৰ্শ কৰে ছাঁয়া এই সাধ্বী-শৰীৰৰ
থাকেমানে দেহে প্ৰাণ ?

( মৌন )

নিদিওঁ কাচিতো

এৰি 'কুবেৰ-সম্পত্তি', নিদিওঁ বুলিলে
যাক স্বৰ্গী প্ৰাণেশ্বৰে। ৰাখিছোঁ যতনে
তাক, সতীত্ব-ৰতন স'তে, ৰাখিম প্ৰাণান্তে !
চাহে যদি দুৰাচাৰে পশু-প্ৰকৃতিৰে
বলেৰে নিবৰ হেতু, সতীত্ব বলেৰে
তাক ৰাখিম উদ্ধাৰি, কৰি প্ৰাণপণ।

( মৌন )

চাপে অন্ত !

চাপিছে সি পুণ্য শোভা ধৰি। আঁতৰিছে
দেহ-মন লাহে—লাহে—লাহে, সংসাৰৰ
মায়া-মোহ আশা-শান্তি ক্ৰমাৎ এৰাই।
কৰিছে সি গতি এবে অনন্তৰ দিশে
ধীৰে ধীৰে ধীৰে। ধন্য প্ৰভু, ৰুদ্ৰ তুমি,
অপাৰ করুণা তৱ ; হৰিলা আগেয়ে
মায়াৰ কাৰণ যত ভৱ-সংসাৰৰ,
মুকুতিৰ গতি মোৰ পোনাবৰ গুণে।

দিয়ঁা মাতৃ জন্মভূমি, দিয়াঁহে বিদায়,
মৰযি সমস্ত দায় আপোন কন্যাৰ।
আৰু মাতোঁ পৃথিবীক,—জননী-জননী,—
ৰাখিবাঁ মিনতি মোৰ অন্তিম কালত,
ক্ষেমিবাঁ সকলো দায় ইহ জনমৰ।
একেষাৰ সম্ভাষণ কৰিবাঁ গ্ৰহণ
নৰ-নাৰী মৰতৰ; ক্ষেমিবাঁ সবাৰে,
নাজানি কৰিছোঁ যদি কিবা অপৰাধ।
শত্ৰু বুলি পৰিচয় দিছিলঁা যি সৰে,
চেনেহী মাতেৰে এবে দিয়াঁহে বিদায়,
লই মোৰ স্নেহ-সম্ভাষণ।—যাওঁ এবে,
থাকাঁ সৰে, বিদায়! বিদায়!!

( মৌন )

( সসৈন্যে কনচেঙৰ প্ৰৱেশ )

কনচেং।—মহাৰাণী,
লোৰাঁ মোৰ সম্মান অশেষ।
সাধনী।— কোন তুমি?
কিয় মোৰ চাপিছাঁহি কাষ?
কনচেং।— আহোম ৰজাৰ
মই মন্ত্ৰী-সেনাপতি।
সাধনী।— কিহেতু ইঠাই?
কনচেং।— ৰণত বিজয়ী হেতু।
সাধনী।— জানো সেই কথা।
কিহেতু আহিছা হেথা?

কনচেং।—সমৰ্পিব লাগে সেই
“কুবেৰ-সম্পত্তি”; আৰু আত্ম-সমৰ্পণ
হব লাগে এবে।

সাধনী।— নহব সি বাঞ্ছা সিদ্ধি।

কনচেং।—নহব নহলে।

সাধনী।—কিবা কোৰাঁ!
পশুবল খটাবাঁ নহলে?

কনচেং।— ক্ষমা কৰাঁ,
আজ্ঞাবহ ভৃত্য মাথোঁ আমি!
ৰাজ-আজ্ঞা পালোঁ সদা প্ৰাণ পণ কৰি।

সাধনী।— কাৰ আজ্ঞা এনে?
কোন্ অধৰমী সিটো?
কোনে সাহে কবলই নীচ বচনেৰে
'কুবেৰ-সম্পত্তি' কথা? কোন্ জ্ঞানহীনে
কৰে এনে অসম্ভৱ সন্ধিৰ প্ৰস্তাব,—
সতী-সমৰ্পণ 'হেতু'—পতি-বিয়োগত?
ধীক্ তাৰ জীৱনত, ধিক্ শতবাৰ!
সতীত্বৰ মূল্য সি জানে কি পাযণ্ডে,
বিশ্বৰাজ্য বিনিময় হেয় যাৰ স'তে!
সামান্য ৰাজ্যৰ ৰজা হই পৃথিবীত
স্বৰ্গৰ আসন সি বিচাৰে মৰ্ত্ত্যত?
না জানে সি জীৱনত সতীৰ মাহাত্ম্য,
হোৱা নাই ৰাজ্য তাৰ সতী-প্ৰসৱিনী;

নতুবা নৃপতি মুখে ইহেন প্ৰলাপ
অসম্ভৱ,— অসম্ভৱ জানিবা নিশ্চয়।
আৰু শুনা,—
'কুবেৰ-সম্পত্তি' কথা; এৰাঁ তাৰ আশা।
হোৱা নাই প্ৰতিশ্ৰুত প্ৰাণেশ্বৰ মোৰ
সেই ধন সমৰ্পণ হেতু; যিবা সমিধান
পালাঁ তুমি আছেনে মনত? চোৱাঁ ভাবি,
কিহেতু এৰিলে প্ৰাণ প্ৰাণেশ্বৰে মোৰ,
কি ভাবে উৰালে নাথে প্ৰস্তাৱ তোমাৰ,
পুৰুষৰ বীৰ্য্য দেখুৱাই।

কনচেং।— ক্ষমা কৰাঁ সতি!
যুক্তিৰ অধীন আমি, আদেশৰ দাস।
নকৰাঁ যদিহে আহি আত্ম-সমৰ্পণ
মন মোৰ ভদ্ৰ নিবেদন, বাহুবল
অগত্যা প্ৰয়োগ জানাঁ।
(ধৰিবলৈ লাহে লাহে আগ বাঢ়ে)

সাধনী।—ক্ষান্ত হোৱাঁ।
অন্ধ তুমি, নাহিবাঁ উধাই;
সাধ্য নাই পাবলই স্পৰ্শ এই তনু।
দেখা নাই জনমত সতীৰ মহিমা;
সিহেতু সাহিছাঁ এনে উন্মাদৰ প্ৰায়!
হব জন্ম মহাসতী ৰাজ্যত তোমাৰ,
আশীৰ্ব্বাদ লোৱাঁ এই, মূল্য শক্ৰতাৰ।

D. H. S. K. College Library
Date Lebel